(b) Whether it is also a fact that the Government allotted a plot of land for Industrial Estate ?

(c) When that Industrial Estate will function ?

(d) Whether it is a fact that some educated youngman applied for permission to start a Match Factory at Golaghat ?

(e) If so, whether the Government permitted them to start the Industry and gave necessary instructions and offered help ?

Shri Biswadev Sarma (Minister, Industries) replied :

(a)—At present, Government have decided to open an "Industrial Area" at Golaghat-in lieu of Industrial Estate proposed earlier.

(b)—Yes, a plot of Government land measuring 27 bighas has been allotted for this "Industrial Area'.

( c)—Development work in respect of a part of this "Industrial rAea", viz.' about, 12 bighas has been started and is

expected to be completed within the current year, whereafter industries can be established there.

(d)—Yes.

(e)—Yes, necessary assistance has been given to him.

### *Re* : Industries at Abhayapuri

Shri Kandarpa Narayan Banikya asked:

37. Will the Minister, Industries be pleased to state—

(a) The number of Industries which will be started within Abhayapuri town area ?

(b) Whether any date has been fixed for starting those industries ?

Shri Biswadev Sarma (Minister, Industries) replied :

(a)—There is no proposal at present to establish any large or medium scale industries within Abhayapuri town area. However, small scale sector is a free sector and individual entrepreneurs would be welcome if they come forward to establish small scale industries.

(b)—Does not arise.

### Re : Schemes for Rural Electrification

Shri Maneswar Boro asked:

38. Will the Minister-in-charge of Power (Electricity), etc., be pleased to state—

(a) The number of schemes so far approved and the cost thereof for rural electrification in Assam during the Fourth Five Year Plan ?

(b) The number of villages to be electrified and the number of rural population likely to be benefited thereby?

(c) The progress made in implementing these schemes vis-a-vis such number of villages population in other States ?

Shri Biswadev Sarma (Minister-in-charge of Electricity) replied :

(a)—So far one Schemes for rural electrifications cover-ering 7 districts of Assam has been approved. The cost of which are shown below.

| | | | |
|---|---|---|---|
| (1) Annual plan during | 1969-70 | Rs. | 75.00 lakhs |
| (2) " " " | 1970-71 | Rs. | 100.00 lakhs |
| (3) " " " | 1971-72 | Rs. | 150.00 lakhs |
| (4) " " " | 1972-73 | Rs. | 175.00 lakhs |
| (5) " " " | 1973-74 | Rs. | 200.00 lakhs |
| The total for the Schemes. | | Rs. | 700.00 lakhs |

(b)—Number of villages to electrified as per above scheme is 844 Nos. having a total population of 13,48,000 Nos. It is expected that 50 per cent of their population will derive benefit from the scheme.

(c)—Total number of villages electrified upto 1971 is 723 Nos. The datas in respect on other States are not available with the Board.

**Re : New trades in Bongaigaon I. T. I.**

Shri Mathura Mohan Sinha asked :

Will the Minister, Industries be pleased to state—

(a)Whether there is a proposal to introduce some new trades in Bongaigaon I. T. I.?

(b) If so, what are trades proposed to be introduced ?

(c) If the reply to (a) above is in negative, whether Government propose to consider to introduce some trades which will be suitable for future employment of youths in view of Industries proposed to be set up at Jogighopa and Bongaigaon, namely, Paper Mill and Oil Refinery respectively ?

Shri Chatragopal Karmakar (Minister of State, Labour) replied :

(a)—There is no proposal to introduce new trades under the N .C. T. V. T. Scheme in Bongaigaon I. T. I. as per the decision taken in the meeting of the Working Group of Fourth Five Year Plan.

There is however, a proposal to introduce the trade of Type -Writing in English and Regional language under the State Scheme in the Institute. And this is now under the consideration of the State Government.

(b)—Does not arise in view of (a) above.

(c)—Necessary steps have already been taken to collect the requirements of workers in various categories of Posts in the Craftsmen level which may be necessary to man the Plants by local youths, in view of the Industries proposed to be set up at Jogighopa and Bongaigaon, i. e., Paper Mill and Oil Refinery respectively.

On receipt of information necessary Schemes will be prepared to train up the local youths in accordance with the requirements of the Industries.

**Re. Kamalabari-Neamati Ferry**

Shri Premadhor Bora asked :

40. Will the Minister, Transport be pleased to state —

(a)Whether the Government is aware that the public are facing great inconveniences and risk while travelling on Kamalabari-Neamati Ferry ?

(b) Whether the volume of traffic on Neamati-Kamalabari route is same as that of the Silghat-Panpur and Jogighopa route ?

(c) Whether the boats provided in Neamati-Kamalabari are of the same type with those at the other main routes ?

(d) Whether Government have any proposal to introduce improved ferries on Neamati-Kamalabari route ?

Shri Probin Kumar Choudhuri, (Minister, Transport) replied :

(a)—Government is aware of the inconveniences but the present fleet of vessels is not risky.

(b)—Yes.

(c)—All are not of the same type.

(d)—A modern vessel is currently under construction for this ferry line.

**Re: Jogighopa-Pancharatna Ferry Ghat**

Shri Mathura Mohan Sinha asked—

41. Will the Minister, Transport be pleased to state —

(a) Whether Government have received public representation that the Jogighopa-Pancharatna ferry ghat should be made toll free as it falls on National High Way ?

(b) Whether Government is also aware that the toll charges in the above ferry ghat in respect of travelling public, jeeps, cars, trucks, buses, etc., are too high in respect of other ferry ghats ?

(c) Whether Government proposes to consider the matter in order to remove the long-felt grievances and distress of the public ?

Shri Probin Kumar Choudhuri (Minister, Transport) replied :

(a)—Yes.

(b)—It is not a fact.

(c)—The matter is under consideration.

Shri Giasuddin Ahmed : From the figure supplied by hon'ble Minister it appears that the condition of these schools has not improved rather deteriorated. In 1970 the total number of schools was 14 whereas in 1971 it was 84 so it proves that the condition of these schools have deteriorated. What is the use of keeping the system of derecognition of the schools ?

**Re : Secret Session of the House.**

Shri Rothindra Nath Sen : May I submit Sir, from the list of business programme that has been decided earlier we find that time has been fixed up from 5 p.m to 7 p.m. for secret session. Since it is private members business today no Government business is involved. So, may I request to take the sense of the House and I think you will agree to it/ to start from 2 p. m. the secret session so that too many members may take part and we can proceed on with the secret session up to 6 p. m. if necessary instead of sitting till late evening.

Shri Dulal Chandra Barua : Sir, of course the suggestion made by hon'ble Member Mr. Sen is a good one. But now the question is everytime we expect to the private members business but you will find that it is left out and one of my questions put in this year, on 12th August is still continuing. We want to dispose of this before the next general election. Now the question is, secret session is scheduled to set from 5 o'clock and we can sit up to 10 o'clock Once it is decided why should we sacrifice private members business today. In the mean time some difficulties will crop up on the part of the reporters because they will have to submit their proceedings and the office will also have some difficulties to put up the papers to you for necessary action. Therefore, as scheduled we can sit f om 5 O'clock. to 7 O'clock.

Mr. Speaker : We are to sit as scheduled.

**Re : Demonstration in front of the Assembly building by members of the all Assam Aided High School Teachers Association.**

Mr. Speaker : Now Rule 301. The Chief Minister will not be able to reply today, but he has already assured that he will reply tomorrow.

Shri Dulal Chandra Barua : Sir, the question is demonstration is continuing here and I am told that they are so much concerned even if the Government gives assurance as on several occasions such assurances has been given.

Their idea is to redress their grievances. On the assurance of the Chief Minister, the All Assam Aided High School Teachers Association postponed their programme of observing all Assam Protest day on 2.2.71. But as Government has not taken up any action till today they have no other alternative but to demonstrate in front of the Assembly.

I want to know whether Government has infromed you (Mr. Speaker) about the decision taken up in respect of assurance made by the Chief Minister to the All Assam Aided High School Teachers Association and All Assam Fourth Grade Aided High Sehool Teachers Association also is going to demonstrate. My whole contension is, if the Chief Minister, the head of the state committed such kind of assurance and if he is not in a position to fulfil the same in to atleast 75 percent of his assurances must have to be fulfilled. But the associations, demands have not been given any effect till today. If the Chief Minister can make them contended we have nothing to say. But the question is under heavy pressure even they did not find any alternative but to stage demonstration before the House. Therefore, if the Chief Minister gives his reply tomorrow that will not serve the purpose and we cannot also allow them to continue their demonstration here. If we allow them to continue that may take a different turn. There we want to put a fullstop. If you can make a commitment of assurance that their grievance will be redressed within a month then we can request them and convince them to disperse their demons tration. And surely if they get assurance from the Government they will go away. Earlier also assurances are given but many of them are not implemented. I am not going to call for an explanation from the Government but the assurances should not go without any implementation, and these half-naked, half-breaded teachers should not be allowed to suffer before the Assembly here. Government is expert in taking steps on stopping increment etc. inspite of their general suffering. Therefore, Sir, my whole contention if the Chief Minister can give assurance to you (Mr. Speaker)

and if they can tell something to you in the from of a reply we can convince the people to go away.

Mr. Speaker : We have got notice under rule 301.

My whole contention is that according to the procedure I can bring a thing to the notice of the Government through you; I cannot bring anything to the notice of the Government without going through you. I am just explaining the difficulty if the Chief Minister takes time to reply to the issue tomorrow. I am repeating : under the present situation this should not be allowed to continue. There should be some sort of decision on this.

শ্ৰী প্ৰমোদ গগৈ : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবৰুৱাই যিটো বিষয় সদনত উত্থাপন কৰিছে সেই বিষয়ে মই জাননী দিছিলো যে সদৌ অসম সাহায্য প্ৰাপ্ত উচ্চ আৰু উচ্চতৰ মাধ্যমিক স্কুল শিক্ষক সন্থাই অসম বিধান সভাৰ ওচৰত স্মাৰক পত্ৰ দিব। তেওঁলোকৰ দাবী সমূহৰ বিষয়ে ইতিমধ্যে চৰকাৰৰ লগত চুক্তি হৈছিল আৰু সেইবোৰ চৰকাৰে কাৰ্য্যকৰী নকৰাৰ কাৰণেহে সজাতি দল আহি লগ ধৰিছে। স্মাৰক পত্ৰত যিবিলাক দাবী উত্থাপন কৰিছে সেইবোৰ নতুন দাবী নহয়। বহুত দিনৰ আগতেই চৰকাৰৰ লগত চুক্তি হৈ আছে। চৰকাৰেহে কাৰ্যকৰী কৰা নাই আনকি ১৯৬৭ চনতে হোৱা চুক্তিও চৰকাৰে আজিলৈকে কাৰ্য্যকৰী কৰা নাই। যেতিয়া সকলোবোৰ উপায় ব্যৰ্থ হ'ল তেতিয়াহে তেওঁলোক এই সদনৰ সন্মুখলৈ আহিছে। যেতিয়া গোটেই প্ৰদেশৰ শিক্ষকসকলে দাবী উত্থাপন কৰিছে, নিশ্চয়কৈ আমি ৰাইজৰ প্ৰতিনিধি হিচাবে তেওঁলোকৰ অভিযোগ সমূহ বিবেচনা কৰা দৰকাৰ। সেই কাৰণেই মুখ্যমন্ত্ৰী ডাঙৰীয়াই কালিলৈ বিবৃতি দিম বুলি কৈছে। কিন্তু আজি যিটো পৰিস্থিতি হৈছে তাৰ পৰিপ্ৰেক্ষিতত কালিলৈকে শিক্ষক সন্থাৰ প্ৰতিনিধি সকলক ৰাখি থোৱাটো সমিচীন নহব। তাৰ দ্বাৰা আমাৰ প্ৰদেশৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট ক্ষতি সাধন হব। সেই কাৰণে অসম চৰকাৰৰ তৰফৰ পৰা শিক্ষা মন্ত্ৰী বা মুখ্য মন্ত্ৰীয়ে সজাতি দলক লগ ধৰি কব লাগে যে তেওঁলোকৰ দাবী সমূহ চৰকাৰে বিবেচনা কৰিব আৰু তাৰ যথোচিত ব্যৱস্থা লব বুলি আশ্বাস দিব লাগে। এই ক্ষেত্ৰত আত্ম সন্মানৰ কথা নুঠে যেহেতুকে তেওঁলোকৰ লগত আগতেও আলোচনা হৈছে, চুক্তি হৈছে। এতিয়া আশ্বাস দিলেই হব।

শ্ৰী পুষ্পধৰ চলিহা — অধ্যক্ষ মহোদয়, সাহায্য প্ৰাপ্ত হাই স্কুলৰ শিক্ষক সকলে যি স্মাৰকপত্ৰ দিছে তাৰ নকল আমিও পাইছো। এই বিষয়ে বহুদিনৰ পৰা আলোচনা চলি আছে আৰু চুক্তি সমূহ কাৰ্যকৰী নোহোৱাৰ কাৰণেই তেওঁলোকক প্ৰতিশ্ৰুতি দিছিল যে চৰকাৰৰ লগত যিবিলাক চুক্তি হৈছিল সেইবিলাক পূৰ্ণ কৰিবলৈ চেষ্টা কৰিব। এইটো Financial matter। গতিকে মুখ্যমন্ত্ৰীয়ে হয়তো বিত্ত মন্ত্ৰীৰ লগত আলোচনা কৰিব লাগিব আৰু যাতে কাৰ্যকৰী হয় তাৰ বাবে নিশ্চয় চৰকাৰে সহানুভূতিৰে বিবেচনা কৰিব। মই মুখ্যমন্ত্ৰীক অনুৰোধ

কৰিব খোজোঁ যে তেওঁলোকৰ দাবী সমূহ সহানুভূতিৰে বিবেচনা কৰা হব বুলি আজি আশ্বাস দিলে বোধহয় ভাল হব। আৰু তেওঁলোকে বিক্ষোভ প্ৰদৰ্শন নকৰিবলৈ আমি বুজাব পাৰিম।

*Shri Phani Bora — Mr. Speaker, Sir, the point is the Chief Minister will give reply to this call attention or draw attention motion. But a general reply will not solve the problem. I really Sympathise with the cause of the teachers. Because these points which are laid down in their memorandum, a copy of which has been given to you and we have also received, are long standing points and about certain points there were agreement between the Government of Assam and the Teachers' Asscoiation. Now, Government has to specifically say that on this point we have decided to do this, on this point we have decided to do that, What ever it is, but the reply to the demands should be concrete and specific. I may tell the Government that the situation in our State is not very congenial for this kind of agitation. Now I am informed that if the Government fails to give a satisfactory reply to the long standing demands of the teachers, they may resort to or they might have to resort to hunger strike or any other kind of agitation. If the Government is interested to avoid this kind of agitation, in the context of present situation that is prevailing in our State I would request the Government to come out with a concrete solution to the problems raised by the teachers. If the Government fails in this critical hour to satisfy the genuine grievances of the teachers, I think an agitation will take place and we will support the agitation and we will support the teachers. Therefore, I would say that before an agitation takes bigger dimension the Government should very promptly come forward with specific solution to the demands raiesd by the teachers. That will be good for the teachers, for the education, for the peace in the State and also for maintaning peace and amity amongat the people of the State. I am referring in the context of the present situation in the State.

Sir, for some time I am getting information that the situation in our state is not very good. On the contrary,

*Speech not corrected.

Shri Atul Goswami : After 12.30 today ?

Mr. Speaker : Upto 12.30 the Assembly will continue.

Directions by the chair proceedure regulating submission of notices under Rule 301.

I would like to give certain directions regarding submission of notices under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly :

1. Notices under rule 301 should be given on a matter of urgent public importance and of recent occurraence.

2. The matter should be such as cannot be raised by any other method or under any provisions of the rules.

3. A copy of the notice should be supplied to the Minister concerned.

4. A date will be fixed by the Speaker in consultation with the Minister concerned.

5. Not more than one matter should be raised at the same sitting.

**Calling attention to a matter of urgent public importance ; protest against the use of signboards written in the Assamese Language.**

*শ্ৰীমনেশ্বৰ বড়ো : মই অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়ম অনুসৰি ১৯৭১ চনৰ ২২ এপ্ৰিল তাৰিখৰ দৈনিক অসমত প্ৰকাশিত হোৱা অসমীয়া নাম ফলিৰ ওপৰত ক্ষোভ শীৰ্ষক সংবাদটোলৈ মুখ্যমন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো। আৰু এই সংক্ৰান্তত যিসকল জড়িত তেওঁলোকৰ ওপৰত বিহীত ব্যৱস্থা লবলৈ অনুৰোধ জনালো।

"অসমীয়া নামফলিৰ ওপৰত ক্ষোভ" শীৰ্ষক সংবাদৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি অসম বিধানসভাৰ সদস্য শ্ৰীমনেশ্বৰ বড়োৱে দিয়া জাননী।

২/৪/৭১ তাৰিখে দৈনিক অসমত প্ৰকাশিত "অসমীয়া নামফলিৰ ওপৰত ক্ষোভ" বাতৰিৰ সম্পৰ্কত গোৱালপাৰা জিলাৰ উপায়ুক্তৰ পৰা প্ৰতিবেদন বিচৰা হৈছিল। সেইমতে নিম্নলিখিত তথ্য পাতিবিলাক এতিয়ালৈকে চৰকাৰৰ হাঁতত পৰিছে।

গোৱালপাৰা জিলাৰ বড়ো ছাত্ৰ সংঘৰ সম্পাদক শ্ৰীৰাজেন্দ্ৰ নাথ ব্ৰহ্মই ২৫/ ৩/৭১ তাৰিখে কোকৰাঝাৰ, গোসাইগাওঁ আৰু বাস্নুগাওঁ এই তিনি অঞ্চলৰ প্ৰায় ৭০০জন ছাত্ৰৰ এটা সমদল উলিয়াই কোকৰাঝাৰ, নগৰৰ বাজ আলিয়েদি গৈছিল।

এই শোভাযাত্ৰাকাৰী সকলে বড়ো ভাষাত ধ্বনি কৰিছিল যে বড়োভাষাত নামফলিবিলাক লিখিব লাগে অসমীয়া আৰু বঙালী ভাষাৰ ঠাইত ইংৰাজী

* Speech not corrected.

ভাষাৰ ব্যৱহাৰ কৰিব লাগে। স্কুলবিলাকত চৰকাৰৰ প্ৰস্তাৱ অনুযায়ী বড়োভাষাত শিক্ষাৰ মাধ্যম কৰিব লাগে।

তাৰ পাছত তেওঁলোকৰ কোকৰাঝাৰ ৰেষ্ট হাউচত শ্ৰীতৰুণ চন্দ্ৰ ফুকন বসুমতাৰীৰ সভাপতিত্বত এখন মিটিং হয়। এই সভাত এটা প্ৰস্তাৱ গ্ৰহণ কৰে যে সদৌ বড়ো সাহিত্য সভাই অনুমোদন কৰা মতে সেই অঞ্চলত সকলোবিলাক officeৰ নামফলি ইংৰাজী আৰু অসমীয়াত লিখিব লাগে।

এই সম্পৰ্কত কোকৰাঝাৰ থানাত ভাৰতীয় দণ্ডবিধী আইনৰ ১৪৭/৪৪৭/৪২৬ ধাৰামতে মোকৰ্দ্দমা নং ৩০(৩)৭১, ৩২(৩)৭১ ৩৫(৩)৭১ আৰু ১৭/৪১৭/৪২৬/২৫৩/১৫৩ ক ধাৰামতে মোকৰ্দ্দমা নং ৩৪(৩)৭১ তৰা হৈছে।

সিপিনে ২৭ মাৰ্চ্চৰ দিনা অন্য সম্প্ৰদায়ৰ (অনাবড়ো) লোকসকলে প্ৰতিবাদ কল্পে এটা সমদল যাত্ৰা কৰিবৰ অনুমতি বিচাৰিছিল, কিন্তু সেই সময়ত নগৰৰ অৱস্থা উত্তপ্ত থকাৰ কাৰণে তাৰ অনুমতি দিয়া নহল। ২৯ মাৰ্চ্চৰ দিনা এই সকলে পুনৰ অনুমতি বিচৰাত বহু ভাবি-গুণি সেই আদেশ দিয়া হ'ল। অৱশ্যে যথেষ্ট নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছিল। গোৱালপাৰাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকে, কোকৰাঝাৰত শিবিৰ পাতি পৰিস্থিতিৰ গুৰুত্ব লক্ষ্য কৰিছিল।

২৯/৩০ মাৰ্চত বড়ো সকলৰ নেতৃস্থানীয় লোকসকলৰ লগত মহকুমাধিপতিয়ে আলোচনা কৰাত বুজিব পৰা গল যে দায়িত্বহীন মুষ্টিমেয় কেইজনমান উদ্ধত ডেকাৰ পৰাহে ২৫ মাৰ্চ্চৰ দিনা এনে এটা দুস্কাৰ্য্য অনুষ্ঠিত হৈছিল। গোৱালপাৰা জিলাৰ বড়ো ছাত্ৰ সংঘই এই আচৰণৰ প্ৰতি গৰিহনা জনায় আৰু বড়ো সাহিত্য সভায়ো ৪/৪/৭১ তাৰিখে এটা প্ৰস্তাৱ যোগে গৰিহনা দিয়ে।

অন্যান্য সম্প্ৰদায়ৰ লোকসকলেও বুজি পালে যে এনে দুস্কাৰ্য্যৰ মূলতে কেইটিমান মুষ্টিমেয় লোকহে আছিল। সেইহেতু তেওঁলোকৰ খং-ৰাগ শাম কাটে।

দেখা যায় ২৫ মাৰ্চ্চৰ ঘটনাৰ প্ৰতি অতিৰিক্ত গুৰুত্ব দিয়াৰ একো লাভ নাই যিহেতু তাত দুয়োটা সম্প্ৰদায়ৰ লোকে শান্তি সম্প্ৰীতিৰে বতি থাকিব লাগিব। চৰকাৰে যথেষ্ট তৎপৰতাৰে সৈতে পৰিস্থিতি আয়ত্বাধীন কৰিছে; লগতে আশা কৰা যায় যে দুয়োদলৰ নেতৃস্থানীয় লোকসকলৰ সহযোগিতা মিলাপ্ৰীতিৰ ভাব গঢ়ি উঠিব পাৰিব। যাতে মহকুমাত কোনো প্ৰকাৰে শান্তি ভঙ্গ নহয় তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰখা হৈছে।

এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে ১৯৬০ চনৰ চৰকাৰী ভাষা আইনখন ১৯৬৪ চনত ৩০ জুলাইৰ পৰা ৰাজ্যত প্ৰয়োগ কৰা হয়। আইনৰ ব্যৱস্থা সমূহ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মহকুমা পৰ্যায়ৰ অফিচবিলাকত ১৩/৯/৬৫ তাৰিখৰ পৰা আৰু জিলা পৰ্যায়ৰ অফিচ বিলাকত ২৫/৪/৬৬ তাৰিখৰ পৰা প্ৰচলন কৰা হয়।

সেই অনুক্ৰমে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংশ্লিষ্ট সকলোকে নামফলি, জাননী, টেণ্ডাৰ পত্ৰ যোগাযোগ আদি অসমীয়াতে প্ৰচলন কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছিল। এইদৰে শান্তিপূৰ্ণ ভাৱে সকলোৱে অনুসৰণ কৰিছে, কিন্তু এইটো বৰ পৰিতাপৰ কথা যে কোকৰাঝাৰ নগৰত এনে এটা অপ্ৰীতিকৰ ঘটনা অনুষ্ঠিত হয়।

**Further Discussion on the resolution for shifting of the capital from Shillong.**

শ্ৰীফণী বৰা :- এই প্ৰস্তাৱৰ ওপৰত মোৰ আৰু বক্তব্য নাই। মুখ্যমন্ত্ৰীয়ে Reply দিলেই হব।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী (মুখ্যমন্ত্ৰী) :- এই বিষয়ত মোৰ বক্তব্য নাই যিখিনি কবলগীয়া আছিল সেই খিনি প্ৰশ্নোত্তৰৰ সময়তে অলোচনা কৰা হৈছে। এই বিষয়ে কোনো সিদ্ধান্ত এতিয়ালৈকে হোৱা নাই। এটা উচ্চ পদস্থ কৰ্মচাৰীৰে কমিটি গঠন কৰা হৈছে আৰু এই কমিটিয়ে এই বিষয়ে বিশেষ ভাৱে পৰামৰ্শ আগবঢ়াব। তাৰ পাচত আমাৰ মন্ত্ৰী সভাৰ select committeeত আলোচনা হব তাৰ পাছত মন্ত্ৰীসভাত আলোচনা হব কিন্তু কোনো সিদ্ধান্ত লোৱাৰ আগতে বিৰোধী দলৰ নেতা-সকলৰ লগতো আলোচনা কৰা হব যাতে আমি এটা সুস্থ সিদ্ধান্তত আহিব পাৰো আৰু সেই বিষয়ে যাতে দেশত কোনো আন্দোলন নহয় তাৰ বিশেষ ব্যৱস্থা লবলৈ ব্যৱস্থা কৰা হব।

শ্ৰীফনী বৰা :- প্ৰস্তাৱৰ উত্থাপক হিচাবে মই দুষাৰমান কব খোজো মুখ্যমন্ত্ৰীয়ে প্ৰস্তাৱটো গ্ৰহণ কৰা বা কৰ্ত্তন কৰা সম্পৰ্কে একো কোৱা নাই। ভবিষ্যতৰ কাৰণে এই বিষয়টো ৰখা হৈছে। কমিটি গঠন কৰা হৈছে আৰু কমিটিৰ Report আলোচনা কৰা হব আৰু তাৰ পাছত মন্ত্ৰীসভাৰ select কমিটিত আলোচনা কৰা হব তাৰ পাছত বিৰোধী দলৰ নেতৃস্থানীয় সকলৰ লগত আলোচনা কৰিব। মোৰ প্ৰস্তাৱত ক'ত ৰাজধানী পাতিব লাগিব সেইটো কোৱা হোৱা নাই, আমাৰ প্ৰস্তাৱত আছে চৰকাৰক আৰু অফিচাৰ সকলক যি দায়িত্ব দিয়া হৈছে তেওঁলোকক General guidance দিবৰ কাৰণেহে প্ৰস্তাৱটো অনা হৈছে। কাৰণ আমাৰ ৰাজধানী আমাৰ কেন্দ্ৰস্থানত প্ৰতিস্থা হব লাগে। ৰাজধানী প্ৰতিস্থাৰ লগতে বহুতো কথাৰ সম্বন্ধআছে, যেনে যোগাযোগ, পানীৰ ব্যৱস্থা, লগত মাটি পোৱা ইত্যাদি কিন্তু যাতে মাটি কিনোতেই গোটেই খিনি টকা খৰচ নহয়। সেইটো চাব লগীয়া কথা। আৰু এনেকুৱা ঠাইত কেন্দ্ৰস্থল হব লাগে যাতে এই দীঘলীয়া অসমৰ সকলো ৰাইজৰ কাৰণে সুচল হয়। এই খিনি কথাই মূলতঃ প্ৰস্তাৱটোত আছে অৰু এই প্ৰস্তাৱত যিসকল অংশ গ্ৰহণকাৰী সদস্য আছে সেই সকলক মই ধন্যবাদ জনাইছো। কথা হৈছে ৰাজধানী আমি এবাৰহে পাতিম মহম্মদ বিন টোগলকৰ দৰে বাৰে বাৰে ৰাজধানী নাপাটো গতিকে তেতিয়া এবাৰ পাতিম সকলো কথাই বিবেচনা কৰি পতাটো ভাল । Meghalaya সৃষ্টি হোৱাৰ আগৰে পৰা এই ৰাজধানী স্থানান্তৰিত হোৱাৰ কথা এই সদনত আলোচনাহৈ আহিছে কাৰণ ৰাজধানীখন যাতে জনসাধাৰণে সহজে পায়।

......আজি এনে এখন ঠাইত আমাৰ ৰাজধানী খন হব লাগিব যাতে আমাৰ জন-সাধাৰণে ৰাজধানীখন সহজে পায়। এই ৰাজধানী খন চিলঙৰ পৰা নিয়াৰ কথা বহুত দিনৰ পৰাই আলোচনা কৰি অহা হৈছে। আমি ৰাজধানী খন পাতিলেই নহব তাৰ উন্নয়নৰ কাৰণে ভাবিব লাগিব আৰু তাৰ লগতে আমি য'ত ৰাজধানী প্ৰতি-স্থা কৰিম সেই ঠাইৰ লগত অন্যান্য ঠাইৰ যোগাযোগৰ প্ৰশ্ন স্বাভাবিকতেই আহি পৰে। কাৰণ এই ৰাজধানী খন আমাৰ যুগ যুগৰ কাৰণে চিৰকালৰ কাৰণেই হব। গতিকে আমি এই কথা গভীৰভাবে চিন্তা নকৰিলে, সকলো বিলাক কথা খৰচি মাৰি বিচাৰ নকৰিলে নহব। মই নকওঁ যে ৰাজধানী অমুকতে হওঁক বা তমুকতে হওঁক কিন্তু

এই ৰাজধানী
ৰাজধানী খন এখন নতুন ঠাইত অসমৰ কেন্দ্ৰস্থলত হব লাগিব।
খন এখন পৰিকল্পিত চহৰত পৰিণত হব লাগিব। যদি সেয়ে নহয় অসমৰ ৰাইজে
কেতিয়াও এই ৰাজধানী সমৰ্থন নকৰিব। এটা অফিচ তিনি মাইল দূৰত, এটা অফিচ
৫ মাইল দুৰত, এজন মানুহ থাকিব ৫ মাইল দূৰত, আহিবলৈ বাট নাই,
অহা যোৱাৰ ব্যৱস্থা নাই, এই ধৰণৰ ৰাজধানী এখনক জনসাধাৰণে কেতিয়াও
সমৰ্থন নকৰিব। ৰাজধানী প্ৰতিষ্ঠা কৰাৰ আগত কোন ঠাইত ৰাজধানী হব
সেই কথা চৰকাৰে কাকো জানিবলৈ দিব নালাগে। কাৰণ ক'ত ৰাজধানী হব
সেই ঠাই জানিলে দালাল সকলে আগতেই মাটি কিনি ৰাখি পিচত সেই মাটি
বিক্ৰী কৰি ধন ঘটাৰ সুযোগ যাতে কাকো নিদিয়ে। গতিকে ৰাজধানী যি ঠাইতেই
কৰা হব, সেই ঠাইত আমি যাতে সস্তাতে পাব পাৰো সেইটোও চাব লাগিব।
আৰু এইটোও চাব লাগিব যাতে যি ঠাইতেই ৰাজধানী হয় সেই ঠাইলৈ যাতে শিল্প
প্ৰতিস্থানৰ যোগাযোগ ব্যৱস্থা উন্নত হয় আৰু তাৰ লগে লগেই অসমৰ ৰাজ্য খনৰ
সকলো দিশতে উন্নতি হোৱাটো সম্ভৱপৰ হয়। অসমৰ ৰাজধানীৰ লগত যোগা
যোগ ব্যৱস্থাৰ উন্নত হোৱাটো নিৰ্ভৰ কৰে আৰু এনেকুৱা ঠাইত হব লাগে যাতে
সকলো ফালৰ পৰাই অসম উপকৃত হয়। উদাহৰণ স্বৰূপে মই কওঁ যে যদি ৰাজ-
ধানী খন তেজপুৰত হয়, বা শিলঘাটত হয়, গোলাঘাটত বা বৰ্ডিয়াতেই যদিও হয়
(মই এটা কথাৰ কথা কৈছো) তেতিয়া হলে মই কও যে সেই ঠাইৰ পৰা অস-
মৰ প্ৰত্যেক ঠাইলৈকে যাতায়তৰ সুবিধা হব লাগিব, মাটি সস্তাত পাব লাগিব
তাত minister সকলৰ কোৱাৰ্টাৰ একালে হব। চেক্ৰেটাৰী সকলৰ কোৱাৰ্টাৰ একালে
হব, চেক্ৰেটাৰীয়েটৰ কৰ্মচাৰীৰ কোৱাৰ্টাৰ একালে হব - এই দৰে এটা পৰিকল্পিত
আচনিৰ যোগেদি হব লাগিব। তাত এনে এটা অঞ্চলত ৰাখিব লাগিব যাতে
তাত এখন পাৰ্ক নিৰ্ম্মান কৰিব পাৰি তাৰ লগতে চিনেমা হল আদিও কৰিব পৰা
ব্যৱস্থা থাকে। কিন্তু মই এটা কথা শুনি আচৰিত হৈছো যে এতিয়া চৰকাৰে কৈছে
ৰাজধানী এখন পাতিবলৈ হলে অমুক সুবিধা থাকিব লাগিব তমুক সুবিধা থাকিব
লাগিব। অমুক লাগিব তমুক লাগিব এই বিলাক কথা হব নোৱাৰে। যেতিয়াই এখন
ৰাজধানী গঢ়ি উঠিব তেতিয়াই যাতায়তৰ ব্যৱস্থা শিল্প বাণিজ্যৰ কেন্দ্ৰ স্কুল কলেজ
আদি গঢ়ি উঠাটো স্বাভাৱিক। এই বিলাক কথা বিবেচনা কৰিয়েই অসমৰ ৰাইজে
ভাবে যে ৰাজধানীখন এখন পৰিকল্পিত ৰাজধানী হব লাগিব। যতেই ৰাজধানী হব
তাত কোনেও মাটি কিনিব নোৱাৰাৰ ব্যৱস্থা হাতত লব লাগিব। আৰু যদি কোনো-
বাই তাত মাটি কিনেও তাক চৰকাৰে অধিগ্ৰহণ কৰিব লাগিব। এই চহৰৰ ভিতৰত
Private মলিকনা থাকিব নোৱাৰিব। আৰু এনে ঠাইত হব লাগিব যাতে যি
ঠাইৰ মাটি আদি কিনি লওতেই ৰাজধানী তৈয়াৰ কৰাৰ কাৰণে খৰচ কৰিবলগীয়া
ধনৰ সৰহ অংশ খৰচ হৈ নাযায়। কোনোবাই কৈছে যে ৰাজধানী হব লাগিলে
তাত আকাশী জাহাজৰ field অৰ্থাৎ বিমান ঘাটি থাকিব লাগিব। তাত জাহাজ
ঘাট থাকিব লাগিব বিশ্ববিদ্যালয় থাকিব লাগিবকিন্তু এই কথা কেনেকৈ হব পাৰে? মই
কব খোজো যতেই ৰাজধানী হয় তেতেই বিমান ঘাটি হব, স্কুল কলেজ হব, শিল্পনগৰী
আদি স্বাভাৱিকতেই গঢ়ি উঠিব ইয়াৰ দ্বাৰা অসম উপকৃত হব, অসমৰ উন্নতি
হব তাৰ দ্বাৰা অসম আগবাঢ়ি যাব। বিমানঘাটি হলেই ৰাজধানী হোৱা
কথা ভুল ৰাজধানী হলেই বিমানঘাটি হবই হব যি ঠাই অসমৰ কেন্দ্ৰস্থল

হয়, যত মাটি সস্তাতে পাব পাৰি তেনে ঠাই আমি বিচাৰিব লাগে। শিল ঘাটত ৰাজধানী পাতিবলৈ হলে কোনো বিমানঘাটি নাই। কিন্তু ৰাজধানী পাতিলে এখন বিমান ঘাটি পাতিব পৰা নাযায়নে - মাত্ৰ আমাক লাগে সুবিধাহে। আৰু বোলে শিলঘাটত ৰাজধানী হলে ব্ৰহ্মপুত্ৰত এখন দলং দিবই লাগিব নহলে কেনেকৈ তাত ৰাজধানী পাতে মই কৈছোৱেই যে ৰাজধানী হলে এই বিলাক স্বাভাবিকতেই হব। যতেই সস্তাতে পাতিব পৰা যায় সকলো সুবিধা পোৱা যায় আৰু সকলোৰে সুবিধা হয় আমি সেইটোহে চাব লাগে। যাতে যতেই ৰাজধানী হয় তাতেই এখন পৰিকল্পিত চহৰ গঢ়ি উঠে আৰু চিৰকালৰ কাৰণে হয়। মোৰ কল্পনাৰ এখন ৰাজধানী আছে। এই ৰাজধানী খন এনেকুৱা এখন চহৰত পৰিণত কৰিব লাগিব যাতে বিদেশী পৰ্যটক সকলৰ কাৰণে আকৰ্ষনীয় হয় আৰু তেখেতসকলে যেন দেখি গৈ বাহিৰত কব পাৰে যে আমি ভাৰতবৰ্ষৰ ভিতৰত এখন চহৰ দেখি আহিলো আৰু সেই চহৰখনেই হব লাগিব অসমৰ ৰাজধানী। আমিও বহুত চহৰ দেখিছো-দেখিছো যুদ্ধত বিধস্ত হোৱা চহৰ বিলাক।

সেইকাৰণেই মই সদনৰ দুয়োপক্ষৰ সদস্যক বিশেষকৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াক যিহেতু তেখেতৰ হাততেই আচল চাবিটো আছে; অনুৰোধ কৰো যেন— কোনো স্থানান্তৰিতবাদী দৃষ্টিভঙ্গীয়ে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰাকৈ এই বিষয়টো গভীৰ ভাৱে চিন্তা কৰে। এই নতুন ৰাজধানীখন কৰাৰ সম্পৰ্কত মই আশাকৰো যে এনেকুৱা এখন কেন্দ্ৰীয় ঠাইত এই ৰাজধানীখনৰ কাৰণে স্থান নিৰ্ণয় কৰিব লাগে যাতে আমি এখন নতুন চহৰ গঠন কৰিবৰ কাৰণে সক্ষম হম ইয়াৰ কাৰণে যিমানখিনি টকা পইচাৰ প্ৰয়োজন হয় সেই আটাইখিনি কেন্দ্ৰীয় চৰকাৰে দিবলৈ বাধ্য। আমি কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰিব পাৰো যে এখন নতুন ৰাজধানীৰ সম্পূৰ্ন খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰিবই লাগিব। বোলে ৩০ কৌটি বা চল্লিচ কৌটি লাগিব তেনেকৈ খোচামতি কৰাৰ দৰ্কাৰ নাই। আমি এখন চহৰৰ পৰিকল্পনা কৰিম আৰু এই পৰিকল্পিত চহৰখনৰ সকলো খৰচ কেন্দ্ৰীয় চৰকাৰে দিব লাগিব। সেইটো ধৰিব লাগিব। কিন্তু ৩০/৪০ ৫০ কৌটি আদি অঙ্কৰ হিচাবত নহয়। এই নতুন ৰাজধানীখন দিয়াৰ দায়িত্ব আছে তেওঁলাকৰ আৰু ইয়াৰ কাৰণে ১০০ কৌটি টকাৰ দৰ্কাৰ পৰিলেও তেওঁলোক তাক বহন কৰিবই লাগিব।

তাৰ কাৰণে আমি তেওঁলোকক হেচা দিব লাগিব। আৰু সেই হিচাবে পৰিকল্পনা কৰিব লাগিব।

অধ্যক্ষ মহোদয়, ৰাজধানীৰ সংক্ৰান্তত আমাৰ যিটো প্ৰস্তাৱ অনা হৈছে এই প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ যুক্তিৰে আলোচনা কৰাৰ কাৰণে কোনোবাই বিচাৰিলে তেখেত সকলকো guideline দিবলৈ আমি সাজু আছো। সেইকাৰণে কব খুজিছো যে এই প্ৰস্তাৱটো গৃহীত কৰাত কাৰো আপত্তি নেথাকিব। সৰ্বসম্মতিক্ৰমে যাতে অসমৰ নতুন ৰাজধানীখন এখন কেন্দ্ৰীয় সুচল ঠাইত হব পাৰে আৰু যিসকলক ইয়াৰ বিবেচনা কৰিবৰ কাৰণে দায়িত্ব দিয়া হৈছে তেখেত সকলকো বিচাৰিলে আমি guideline দিব পাৰো। শেষত সৰ্বাসম্মতিক্ৰমে এই প্ৰস্তাৱটো গ্ৰহণ কৰাৰ অনুৰোধ জনাই মই বহিলো।

শ্ৰীসোনেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, আমাৰ মূখ্যমন্ত্ৰীয়ে যিটো কথা কৈছে সেইটো মূল প্ৰস্তাৱটোৰ পৰা ফালৰি কাটি অহা যেনহে লাগে। কাৰণ তেখেতৰ এই প্ৰস্তাৱত মই সন্তুষ্ট হব নোৱাৰিলো। কাৰণ তেখেতে এই ক্ষেত্ৰত যিটো মন্তব্য দিব সেইটো দলপতি হিচাবে দিব। সেইকাৰণেই মই কথাটো কব খুজিছো। আমাৰ প্ৰস্তাৱটো আছিল যে শ্বিলঙৰ পৰা ৰাজধানী অসমৰ কেন্দ্ৰস্থ কোনো এখন সুচল ঠাইলৈ স্থানান্তৰিত কৰিব লাগে। সেই প্ৰস্তাৱটো বিধান সভাত সৰ্বা-সন্মতিক্ৰমে গৃহীত কৰিব পাৰি। মুখ্যমন্ত্ৰীয়ে তেখেতৰ Commissioner আদিৰে যিটো অফিচাৰ কমিটি কৰা বুলি কৈছে সেইটো কেৱল স্থান সম্পৰ্কতহে। স্থানান্তৰিত সম্পৰ্কত নহয়। গতিকে কথাটো অলপ খেলি-মেলি কৰা হৈছে। আমাৰ প্ৰস্তাৱটো হৈছে শ্বিলঙৰ পৰা ৰাজধানী স্থানান্তৰিত কৰাৰ সম্পৰ্কত সিদ্ধান্ত লবলৈ। সেইকথাটোহে মই এজন প্ৰস্তাৱক হিচাবে পৰিস্কাৰ কৰি দিব খুজিছো। লগতে আমাৰ শ্ৰীফণী বড়াই কোৱা কথাটোৰ লগতে মই একমত। আজি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অৰ্থাৎ সদিয়াৰ পৰা ধুবুৰীলৈকে ৰাইজৰ মুখত এটাই জনমত যে যিমান সোনকালে পৰা যায় অসমৰ ৰাজধানী শ্বিলঙৰ পৰা ভৈয়ামৰ কোনো এখন কেন্দ্ৰীয় আৰু সুচল ঠাইলৈ স্থানান্তৰিত কৰিব লাগে। সেইটোৰ ওপৰত ভিত্তি কৰিয়েই মই আশাকৰো চৰকাৰী পক্ষ আৰু বিৰোধী পক্ষৰ সকলোৱে যেন সৰ্বাসন্মতিক্ৰমে এই প্ৰস্তাৱটো গৃহীত হোৱাৰ সিদ্ধান্ত লব পাৰে আৰু তাৰ দ্বাৰাই যেন চৰকাৰী পক্ষকো পতিয়ন নিয়াবলৈ সমৰ্থ হয়। এইখিনি কৈয়ে মই বহিলো।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী:- গতিকে এটা প্ৰস্তাৱ আছে হয়।

অধ্যক্ষ : প্ৰস্তাৱটো আছিল যে — "যিহেতুকে খাচীজয়ন্তীয়া আৰু গাৰো পাহাৰক লৈ অসমৰ ভিতৰতে মেঘালয়" নামেৰে উপৰাজ্য গঠিত হৈছে আৰু উপৰাজ্যখনৰ নিজস্ব ৰাজধানী শ্বিলঙতে হব আৰু সেইহেতুকে বৰ্ত্তমান অসমৰ ৰাজধানী শ্বিলং বৰ্ত্তমানৰ অসম আৰু ভৱিষ্যতৰ অসমৰ কাৰণ সুচল নহয়। অসমৰ ৰাজধানী শ্বিলঙৰ পৰা তুৰন্তে উঠাই নি অসমৰ ভিতৰতে কোনো এখন সুচল ঠাইত প্ৰতিষ্ঠা কৰিবলৈ অসম বিধান সভাৰ এই অধিবেশনে প্ৰস্তাৱ গ্ৰহণ কৰে।"

শ্ৰীফণী বৰা :- প্ৰস্তাৱটো সৰ্ব্বসন্মতিক্ৰমে যাতে গৃহীত হব পাৰে তেনে ভাবেই লিখা হৈছিল যাতে এইটো গৃহীত কৰাত কাৰো কোনো মতৰ পাৰ্থক্য হব নোৱাৰে। অৰ্থাৎ Capital shift হব লাগে শ্বিলঙৰ পৰা আৰু যলৈ shift কৰিব সেইখন ঠাই Centrally situated place হব লাগে। গতিকে এই প্ৰস্তাৱটো গ্ৰহণ কৰাত আপত্তি নাই।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী :- আমি কৈছো যে Expert Committee ৰ Report ৰ বিষয়ে আমি বিৰোধীদলৰ নেতা সকলৰ লগতো আলোচনা কৰিম। গতিকে তেনেকুৱা এটা আলোচনা সন্মুখত থকা অৱস্থাত আমি প্ৰস্তাৱটো গ্ৰহণ নকৰাই সমিচীন হব ; অৱশ্যে হয় আমি যিমান সোনকালে পৰা হয় এইবিষয়ে সিদ্ধান্ত লব লাগে।

( স্বৰঃ- ১৯৭২ চনৰ আগতে shift কৰিবলৈ সিদ্ধান্ত লবনে ? )

১৯৭২ চনৰ আগতে কোনো প্ৰধ্যেই সম্ভৱ হৈ নুঠিব। হয়তো প্ৰস্তাৱ আকাৰে গ্ৰহণ কৰিলে আমাৰ মকামিলাৰ ক্ষেত্ৰত ব্যৰ্থ হব লাগিব বুলি সম্ভাৱনা দেখিছো। সেইকাৰণেই প্ৰস্তাৱটো গ্ৰহণ নকৰি আজি আমাৰ আলোচনা প্ৰসঙ্গত যিখিনি কোৱা হৈছে এইখিনিয়েই আমাৰ প্ৰস্তাৱত থকা কথা। গতিকে এইখিনি বিবেচনা কৰি সেই সম্বন্ধে হোৱা আলোচনা খিনি কমিটিলৈ পঠোৱা হব। মইও এই বিষয়ে খৰচি মাৰি আলোচনা কৰিব পাৰিম। সেইকাৰণে প্ৰস্তাৱটো প্ৰস্তাবাকাৰে গৃহীত নকৰিলেই ভাল।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামীঃ- সুচল ঠাইত হলে Praise কৰিছে। হয়তো কেন্দ্ৰীয় ঠাইত অসুবিধাও পাব পাৰে।

শ্ৰীসোনেশ্বৰ বৰাঃ- অসমৰ কোনো এখন সুচল ঠাইলৈ নিয়া হওঁক। এইটো গ্ৰহণ নকৰিলে জনমতৰ ওচৰত হাঁহিয়াতৰ পাত্ৰ হম।

শ্ৰীফণী বৰাঃ- কমিটিলৈ আমাৰ আলোচনা পঠাই দিব যেতিয়া মই মোৰ বক্তব্য আৰু আলোচনা withdraw কৰিছো।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীঃ- তেনেহলে "কেন্দ্ৰীয়" আৰু "তুৰন্তে" এই কেইটা শব্দ বাদ দি "অসমৰ ৰাজধানী শ্বিলঙৰ পৰা যিমান সোনকালে পাৰি উঠাই নি অসমৰ ভিতৰতে কোনো সুচল ঠাইত প্ৰতিস্থা কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে বুলিয়েই প্ৰস্তাৱটোও লব পাৰি। তুৰন্তে শব্দটোৰ ঠাইত "অনতিপলমে" দিব পাৰি।

অধ্যক্ষ: অসমৰ ৰাজধানী শ্বিলঙৰ পৰা অনতিপলমে উঠাই নি অসমৰ কোনো এখন সুচল ঠাইত প্ৰতিষ্ঠা কৰিবলৈ অসম বিধান সভাই এই অধিবেশনত প্ৰস্তাৱ গ্ৰহণ কৰে।

শ্ৰীগিয়াচুদ্দিন আহমদ: প্ৰস্তাৱ এটা pass কৰিবলৈ হলে, চৰকাৰৰ হতুৱাই কৰা হয়, কিন্তু এই ক্ষেত্ৰত নীতি হিচাবে গ্ৰহণ কৰিছে যে ৰাজধানীখন শ্বিলঙৰ পৰা স্থানান্তৰ কৰা হব দ্বিতীয়তে কমিটি গঠন কৰি দিয়া হৈছে। এই কমিটিত বিৰোধী দলৰ নেতা সকলৰ লগতো আলোচনা কৰা হব। গতিকে এই প্ৰস্তাৱ বিলাক পাছ কৰা নকৰা একেই কথা।

ডা. সুৰেন্দ্ৰ নাথ দাস: অসমৰ ভিতৰত শব্দটো নাথাকিলে ভাল হয় নেকি?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা: অৰ্থ নোহোৱা কথাৰ সিদ্ধান্ত ললে আমি মানি নলওঁ। কথা হৈছে সিদ্ধান্তটো লোৱাৰ আগতে প্ৰস্তাৱটো লোৱা কথা আছে। গতিকে প্ৰস্তাৱ কৰাৰ পাচত কোনো কথাৰ এনেকুৱা সিদ্ধান্ত ললে প্ৰস্তাৱ নললেও হ'লহেতেন। কিন্তু এতিয়া এই প্ৰস্তাৱটো ভাল দ'ৰে দিয়াত তাৰ মাজতে আকৌ তেখেত সকলে সিদ্ধান্ত লৈছে। এইটো বিধান সভাৰ Decision মতে লোৱা হলে কোনো আপত্তি নাথাকিলহেতেন কিন্তু এইটো এতিয়া তেখেত সকলৰ ফালৰ পৰাহে হৈছে। Assemblyৰ Decisionত হোৱা নাই। গতিকে Houseৰ Decision হোৱা হলে ভাল হ'ল হেতেন নেকি?

শ্ৰীসোনেশ্বৰ বৰা: বিধান সভা হৈছে গোটেই অসমৰ এটা পবিত্ৰ ঠাই আৰু ৰাজ্যৰ সকলো ধৰনৰ কাম ইয়াৰ পৰাই হয় আৰু যোগান আদিও ইয়াৰ পৰাই চলে গতিকে সিদ্ধান্তটো ইয়াতে হলে ভাল হব।

Mr. Speaker :- Resolution No.1. This Assembly do now recommend to the Government of Assam to select a place for shifting the Capital of Assam to a centrally situated place within the State.

Now has the hon. Member, Shri Phoni Bora leave of the House to withraw the Resolution.

The House indicated assent and the Resolution was withdrawn.

Resolution No. 2 - As amended.

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী : অসমৰ ৰাজধানী শ্বিলঙৰ পৰা অনতিপলমে উঠাই নি অসমৰ কোনো এখন সুচল ঠাইত পাতিবলৈ অসম বিধান সভাৰ এই অধিবেশনে প্ৰস্তাৱ গ্ৰহণ কৰে।

অধ্যক্ষ : অসমৰ ৰাজধানী ... ... ... ... .....

The motion was adopted

## PRIVATE MEMBERS RESOLUTIONS

Mr. Speaker - Resolution No. 1. - Absent.
Resolution No. 2. - Absent.
Resolution No. 3. - Absent.
Resolution No. 4. - Absent.
Resolution No. 5. - Shri Pitsing Konwar.

Resolution for settfng up an administrative unit at Morigaon

শ্ৰীপিট্চিং কোঁৱৰ:- অধ্যক্ষ মহোদয়, আজি আমাৰ এই পবিত্ৰ সদনত মই এটা প্ৰস্তাৱ ডাঙি ধৰিব খুজিছোঁ। সেই প্ৰস্তাৱটো হল এই ইংৰাজীত

"That in view of the democratic decentalisation of Government machinery for extending administrative benefits to the most interior areas of the country this Assenb'y recommends to the Government of Assam to set up an Administrative unit at Morigaon in the district of Nowgong, Assam for effective and efficient adminisrtation in the most interior areas of western part of Nowgong District."

অধ্যক্ষ মহোদয়, আজি আমাৰ দেশত আজি স্বৰাজ অনাৰ উদ্দেশ্য ক'ত? যি সময়ত বিদেশী শাসক সকলে এই দেশ শাসন কৰিছিল, তেতিয়া আমাৰ দেশৰ মানুহে উপলব্ধি কৰা নাছিল এইখন আমাৰ দেশ বুলি। এই দেশখনক তেতিয়া বিদেশী সকলে সাত সাগৰ তেৰ নদী পাৰ হৈ আহি আমাৰ দেশ শাসন কৰি যিখিনি সুবিধা আমাৰ মানুহক দিব লাগিছিল, সেইখিনি নিদিয়াৰ বাবে আমাৰ দেশত মহাত্মাগান্ধীৰ নেতৃত্বত এটা জাগৰণ হৈছিল যি জাগৰণৰ ফলত চূড়ান্ত সিদ্ধান্ত হল ১৯৪২ চনৰ গনবিপ্লৱ।

এই বিপ্লৱৰ ফল স্বৰূপে বৃটিছ শাসক দল আমাৰ ইয়াৰ পৰা গুচি গল আৰু ভাৰতৰ নেতৃবৰ্গক শাসনৰ দায়িত্ব দিলে। শাসনভাৰ লোৱাৰ লগে লগে ভাৰতত এটা সংবিধান ৰচনা হল। এই সংবিধানৰ দ্বাৰা দেশৰ গনতান্ত্ৰিক শাসনৰ সুবিধা বিলাক গাওঁ সমূহৰ ভিতৰুৱা অঞ্চলে পোৱাৰ কাৰণে এই শাসন যন্ত্ৰটো সকলো ঠাইতে প্ৰয়োগ কৰা হৈছে। সেই হিচাবে অন্যান্য ঠাইবিলাকত পঞ্চায়ত গঠন হল আৰু পঞ্চায়তৰ জৰিয়তে আমাৰ প্ৰশাসনৰ সুবিধাবিলাক সুচঁল কৰিবৰ কাৰণে প্ৰচেষ্টা চলালে। কিন্তু আজি কিছুমান ঠাইৰ লোকে এই সুবিধাৰ পৰা বঞ্চিত হৈ আছে। অসমৰ কিছুমান ঠাইও বঞ্চিত হৈ আছিল যদিও সেই ঠাইবিলাকে এতিয়া এই সুবিধা বিলাক পোৱা আমি দেখিবলৈ পাইছো। উদাহৰণ স্বৰূপে উত্তৰ লক্ষীমপুৰ মহকুমাৰ ভিতৰতে ধেমাজী এটা মহকুমা হল আৰু সেইদৰে কোকৰাঝাৰ, নলবাৰী আদিও মাহকুমা হৈ গল আৰু মিকিৰ পাহাৰতো নতুনকৈ এটা মহকুমা হব ধৰিছে।

কিন্তু নগাওঁ জিলাত আজি আমি দেখিবলৈ পাইছো যে বৃটিছৰ দিনৰ পৰাই একেই হৈ থাকিল। জিলাও নগাওঁ আৰু সদৰো নগাওঁ। ইয়াৰ কোনো পৰিবৰ্ত্তন নহল। এই কলিয়াবৰৰ পৰা ৩৫ মাইল আৰু মায়ঙৰ পৰা ৫০ মাইল। ইমান দূৰৰ পৰা caseৰ দিনা মানুহবোৰ আহি যেতিয়া হাজিৰ হয়, তেতিয়া দেখা যায় যে হাকিম নাই আৰু case ৰ দিন পিচুৱাই দিলে। কোনোবা ডাঙৰ মানুহ নগাওঁলৈ গলেও হাকিম তাতে ব্যস্ত থাকিব লগা হয়। সেইদিনাও case পিচুৱাই দিবলগীয়া হয়। ফলত মানুহ বিলাকে বহুতো টকা-পইচা খৰচ কৰিহে ঘৰ ওলায়হি। সেই কাৰণে সেই ভিতৰুৱা অঞ্চলৰ লোকে আজি স্বাধীন চৰকাৰৰ প্ৰশাসন ব্যৱস্থাৰ যিখিনি সুবিধা পাব লাগিছিল সেইখিনি পোৱা নাই।

আজি নগাৱঁৰ যিসকল অফিচাৰ আছে তেওঁলোকে যি কাৰ্য্যদক্ষতা দেখুৱাব লাগিছিল সেই কাৰ্য্যদক্ষতা দেখিবলৈ পোৱা নাই কাৰণ তেওঁলোকে case ৰ কাম বাদ দি অন্যান্য কামত ঘূৰি ফুৰিব লগীয়া হয়।

যিদিনা লামডিঙত এটা ঘটনা হৈ গ'ল; সেই কথা শ্বিলঙত থকা সকলোৱে খবৰ পাইছে; কিন্তু আমাৰ নগাওঁত থকা কৰ্মচাৰী সকলে সেই কথা গম পোৱা নাই। আজি শ্বিলঙত সকলো সুবিধা থকাৰ কাৰণে মন্ত্ৰী বা M.L.A. সকলোৱে সেই ঘটনাৰ কথা জানিলে; কিন্তু কিছুমান এনেকুৱা ভিতৰুৱা ঠাই আছে য'ত ৰাইজে প্ৰশাসনৰ সুবিধা পোৱা নাই তেওঁলোকে সকলোফালৰ পৰা বঞ্চিত হৈ আছে।

মৰিগাওঁত ৩টা circle আছে, খিং, ৰহা আৰু মৰিগাওঁ। গতিকে মৰিগাওঁ circle ত এটা Sub-Division দিব লাগে।

মাননীয় সদস্য শ্ৰী শৰৎ চন্দ্ৰ গোস্বামীৰো এটা অংশ পাৰে। এতিয়া দেখা গৈছে মৰিগাওঁ অঞ্চলতে প্ৰায় ৫ লাখ জনসংখ্যা আছে। মৰিগাওঁ ভুৰাগাওঁ, জাগীৰোড আদি ৰেভিনিউ টাউন হৈছে। খাজনা বৃদ্ধি পাইছে। ইয়াৰোপৰি বিভিন্ন চৰকাৰী বিভাগ যেনে P. W. D., E. & D. চাৰ্কেল অফিচ, থানা আছে। হাইস্কুল, কলেজ, বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ আৰু আধুনিক সকলো সা-সুবিধা

আছে। কিন্তু আচল কথা প্ৰশাসন। সেইটোৰ পৰা আমাৰ মানুহবিলাক বঞ্চিত হৈ আছে। বৰচাহাব মায়ঙলৈকে গৈ ঘুৰি আহে কিন্তু ৰাইজক সা-সুবিধা দিব নোৱাৰে। এতিয়া দেখা গৈছে মায়ং অঞ্চলৰ কিছুমান মানুহে নগাওঁতকৈ গুৱাহাটীলৈ আহি ভাল পায়। জাগীৰোডেদি গুৱাহাটীলৈ অহা সহজ কিন্তু নগাওঁলৈ যোৱা সহজ নহয়। কাৰণ মৰিগাওঁ বা নগাওঁৰ পশ্চিম অঞ্চলৰ লোকে গুৱাহাটী আহি ভাল পায়। অন্য জিলাৰ তুলনাত নগাওঁ জিলাত মহকুমাৰ সংখ্যা কম। গতিকে মৰিগাওঁত মহকুমা হব লাগে। বৃটিছৰ দিনৰে পৰা নগাওঁ জিলাত মাত্র এটা মহকুমা আৰু এখন সদৰ ঠাই হৈ আছে। সেইটো নগাওঁৰ জনসাধাৰণৰ কাৰণে বৰ অশোভনীয় হৈ আছে। গতিকে নগাওঁ অঞ্চলৰ লোকসকলৰ যাতে সকলো সা-সুবিধা হয় তাৰ বাবে দৃষ্টি ৰাখি অনতিপলমে মৰিগাৱত এটা মহকুমা কৰিবৰ বাবে প্ৰস্তাৱ কৰি মই মোৰ বক্তব্য সামৰিলো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পিটসিং কোঁৱৰে মৰিগাওঁক এটা Sub-division কৰিব লাগে বুলি কৈ যি প্ৰস্তাৱ দাঙি ধৰিছে তাক মই সম্পূৰ্ণৰূপে সমৰ্থন কৰিছো। আমাৰ নগাওঁ জিলাৰ মহকুমা নথকাৰ বাবেই দুৰ-দুৰনিৰ লোকসকলে অনেক কষ্ট ভোগ কৰি আছে। এফালে লামডিং আনফালে মায়ং এই অঞ্চল দুটাত দুটা মহকুমা কেতিয়াবাই হব লাগিছিল। স্বৰ্গীয় মতি বৰা যেতিয়া মন্ত্ৰী সভাত আছিল তেতিয়াই মৰিগাওঁত এটা মহকুমা হব লাগে বুলি সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই সিদ্ধান্ত অনুসৰি তাত অন্যান্য কিছুমান অফিচো হৈ গল। আজি স্বাধীনতাৰ ২৫ বছৰৰ পাছতো মৰিগাৱে যথেষ্ট কষ্ট ভোগ কৰি থাকিব লগা হৈছে। নগাওঁ জিলাত যেনে ভাবে কাম হব লাগিছিল তেনে ভাৱে এতিয়াও একো কামত আগবাঢ়িব পৰা নাই। সিদিনাখন বিৰ্তকত মই কৈছিলো যে, যোৱা নিৰ্ব্বাচনৰ সময়ত আমি বহুতো অসুবিধাৰ সন্মুখীন হৈছো আৰু এই সকলো অসুবিধা দূৰীকৰণৰ বাবে তাত আৰু মহকুমা কৰাৰ প্ৰয়োজন। মাত্ৰ এজন Election অফিচাৰে গোটেই নগাওঁ জিলাৰ দায়িত্ব বহন কৰিবলগীয়া হয়। আজি মৰিগাওঁ অঞ্চলত জনসংখ্যা বহুতো। ইয়াত থকা অনুন্নত আৰু অনুসূচীত জাতিৰ লোক সকলে স্বাধীনতাৰ কুৰি বছৰৰ পাছতো যি সুবিধা পাব লাগিছিল সেইটোৰ পৰা বঞ্চিত হৈ আছে। গতিকে এইটো চৰকাৰে গভীৰ ভাৱে চিন্তা কৰা প্ৰয়োজন। আজি সেই অঞ্চলৰ মানুহৰ মনোভাৱত এটা উমি উমি বিক্ষোভৰ ভাৱ জলি উঠিছে। তেওঁলোকে আবেদন নিবেদন কৰাৰ পাছতো চৰকাৰৰ পৰা কোনো সহানুভূতিশীল ব্যৱস্থা নোপোৱাৰ বাবে তেওঁলোকৰ মনোভাৱ বিছিন্নবাদী হৈ গঢ়ি উঠাৰ লক্ষণ প্ৰকাশ হোৱা মাজে মাজে দেখা যায়। সেইবাবেই অন্যান্য ঠাইৰ দৰে নগাওঁ জিলাতো শাসনৰ সুবিধাৰ কাৰণে মৰিগাওঁত এটা মহকুমা পতাৰ অতি প্ৰয়োজন। মই ভাৱো যে হোজাই লঙ্কা, লামডিং-কলৈ আৰু এটা Sub-division কৰিলে নগাওঁ জিলাৰ জনসাধাৰণক উপকৃত কৰা হব। আৰু আজি মই আশা ৰাখো চৰকাৰে এই প্ৰস্তাৱটো গ্ৰহণ কৰি সেই বিষয়টো কাৰ্য্যকৰী কৰিবৰ বাবে আগবাঢ়িব।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মইও ৰাইজৰ প্ৰতিনিধি হিচাবেই মাননীয় সদস্য শ্ৰীপিটসিং কোঁৱৰে যি প্ৰস্তাৱ আগবঢ়াইছে, সেই প্ৰস্তাৱ সমৰ্থন কৰি দুআষাৰ মান কবলৈ আগবাঢ়িছো। আজি দেখা গৈছে যে, বৃটিছৰ দিনতে কিছুমান শাসন ব্যৱস্থা আছিল। যিবিলাকৰ লগত তেওঁলোকৰ নিজৰ স্বাৰ্থ নিহিত হৈ আছিল। গণতান্ত্ৰিক যুগত ৰাইজৰ প্ৰশাসন ব্যৱস্থাৰ সম্পৰ্কত আজি আমি পুনৰ বিবেচনা কৰাটো কেতিয়াবাই উচিত আছিল। কিন্তু কিয় এইটো কৰা নহল এইবিষয়ে যেন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিয়ে। আমি স্বাধীনতাৰ ২৫ বছৰৰ পাছতো শাসন সম্বন্ধীয় কথা বিলাক বিবেচনা কৰাৰ ক্ষেত্ৰত, চৰকাৰৰ হেমাহি হোৱাৰ বাবেই আজি আমাৰ প্ৰশাসন ব্যৱস্থাত বহুতো ক্ষেত্ৰত আমাৰ শিথিল হৈ পৰিছে। এই ক্ষেত্ৰত আমাৰ যিবিলাক ঠাইত আগতে কম জনসংখ্যা আছিল এতিয়া দেখা গৈছে যে সেইবিলাক জিলাত আজি ক্ৰমান্বয়ে জনসংখ্যা বৃদ্ধি হৈছে। আজি স্বাধীনতাৰ ২৫ বছৰৰ ভিতৰত নিমানজনসংখ্যা বাঢ়িছে, হয়তো বৃটিছে যেতিয়া নগাওঁত শাসন কাৰ্য্য পৰিচালনা কৰিবৰ কাৰণে সদৰ কাৰ্যালয় পাতিছিল তেতিয়া হয়তো নগাওঁত ইমান বেছি জনসংখ্যা নাছিল। কিন্তু এতিয়া নগাওঁত আমাৰ যথেষ্ট পৰিমানে জনসংখ্যা বৃদ্ধি পাইছে আৰু আমাৰ চাদুল্লা মিনিষ্টাৰ সময়ত তাত যি ধৰণে বসবাস কৰাৰ ব্যৱস্থা কৰি গল্য তাৰ ফলস্বৰূপেই আজি জন সংখ্যা বৃদ্ধি হৈছে। গতিকে আজি শাসনৰ ক্ষেত্ৰত পৰিবৰ্ত্তন অনাটো প্ৰয়োজন হৈ পৰিছে। মাত্ৰ নগাওঁৰ ক্ষেত্ৰতেই নহয়, চৰকাৰে যে শাসন ব্যৱস্থাৰ আমোল পৰিবৰ্ত্তন সাধনৰ বাবে চেষ্টা কৰিছে তাৰ বাবে আমি সুখী হৈছো। ইতিমধ্যে কোকৰাঝাৰ, ধেমাজী আৰু নলবাৰীত মহকুমা স্থাপন হৈ গৈছে। মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো এইবাবেই যে, লক্ষীমপুৰ জিলাৰ ধেমাজীক আৰু এখন উন্নত বিশেষ জিলালৈ ৰূপান্তৰিত কৰিবলৈ তেখেতে সিদ্ধান্ত লৈছে। মই আশাকৰো অতি সোনকালে এই কাম কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। আজি আমাৰ সকলো জিলাতে Re-Survey ৰ প্ৰয়োজন হৈছে। কিয়নো জনসংখ্যা অনুপাতে শাসনৰ সু-ব্যৱস্থা কৰাটো প্ৰয়োজন হৈছে। এই প্ৰশাসন ব্যৱস্থাৰ লগতে ৰাজ্যৰ যান-বাহন, ৰাস্তা পদুলি এই বোৰৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। গতিকে সকলো প্ৰকাৰৰ উন্নতি কৰিবলৈ হলে জনসাধাৰনৰ লগত ভাল সম্পৰ্ক গঢ়ি তুলিবলৈ হলে জনসাধাৰনৰ অভাৱ অভিযোগ, অসুবিধা দূৰ কৰিবৰ বাবে যত্ন কৰিব লাগিব। প্ৰশাসনৰ ক্ষেত্ৰত নগাওঁত বহুতো জটিল সমস্যাৰ সৃষ্টি হৈছে। নগাওঁ জিলাত বেছি ভাগ মানুহেই মিশ্ৰিত সম্প্ৰদায়ৰ সেই বাবে তেওঁলোকৰ Sentiment ও বেলেগ ধৰনৰ। যাৰ ফলত সেই অপ্ৰীতিকৰ ঘটনাৰ পৰা গোটেই অসমতে এটা দুখ লগা পৰিস্থিতিৰ উদ্ভৱ হৈছে। এই সকলো বিলাক কথালৈ লক্ষ্য ৰাখি তাকলৈ মৰিগাৱঁতে নহয় নগাওঁৰ বিভিন্ন অঞ্চলৰ জনসংখ্যাৰ হিচাব লৈ মৰিগাওঁ আৰু লামডিংত দুটা মহকুমা গঠন কৰাতো চৰকাৰৰ প্ৰধান কৰ্ত্তব্য। গতিকে ৰাজ্যৰ বৰ্ত্তমান পৰিস্থিতিলৈ লক্ষ্য কৰি যদি এই কামবিলাক সমাধান কৰিব পৰা হয় তেনেহলে ৰাজনৈতিক তথা অৰ্থনৈতিক দিশৰ পৰা আমাৰ ৰাজ্যৰ উন্নতি হব। গতিকে আমি আমাৰ ৰাজ্যৰ সামাজিক, অৰ্থনৈতিক এই সকলো বিষয়ৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। আমাৰ শাসন যন্ত্ৰৰ সুব্যৱস্থা হব লাগিব আৰু ৰাজ-

লোৱে সমান অধিকাৰ পাব লাগিব। গতিকে শাসন যন্ত্ৰৰ পৰিবৰ্ত্তন সাধন কৰিবই লাগিব। আমাৰ দেশ কৃষি প্ৰধান দেশ। আৰু কৃষি প্ৰধান দেশ হিচাবেই ৰাইজে সকলো সা-সুবিধা পাব লাগে। গতিকে এই কমিটিৰ যোগেদি শাসন যন্ত্ৰৰ পৰিবৰ্ত্তন অনাতো প্ৰয়োজন হৈ পৰিছে।

এই কমিটিৰ যোগেদি Proper survey প্ৰশাসনৰ গোটবিলাক পৰীক্ষা কৰা দৰকাৰ, উত্তৰ লক্ষীমপুৰ জিলা হলে শাসনবোৰ পৰীক্ষা কৰিব লাগিব নহলে পিছত গোলমাল হব পাৰে। সেইকাৰণে প্ৰস্তাৱটো গ্ৰহণ কৰা উচিত। বৃটিছ শাসনৰ যি পদ্ধতি আছিল সেইটোৰ এতিয়া আমুল পৰিবৰ্ত্তন হব লাগে সেইকাৰণে প্ৰস্তাৱটো সমৰ্থন কৰিছো।

শ্ৰীফণী বৰা : অধ্যক্ষ মহোদয় এই প্ৰস্তাৱটো সমৰ্থন কৰি মই General Administrationৰ আলোচনাত কৈছিলো তাৰেই মই পুনৰাবৃত্তি কৰিব খুজিছো। Marigaon ত এটা administrative unit কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে কোনো বিতৰ্কৰ অৱকাশ নাই। কাৰণ মাননীয় সদস্য সকলে বিভিন্ন দিশৰ পৰা সেই ধৰণে আলোচনা কৰা হৈছিল নগাওঁ জিলাত এটা মাত্ৰ সদৰ। সেই সদৰত ক্ৰমান্বয়ে জনসংখ্যা বৃদ্ধি পাইছে গতিকে তাত শাসন ব্যৱস্থা ভালকৈ এটা শাসন কেন্দ্ৰৰ পৰা লবলৈ অসম্ভৱ হৈ উঠিছে। আজি Administrationৰ বিষয়ে হওক এটা প্ৰশাসন কেন্দ্ৰৰ পৰা কাম কাজ চলোৱাত টান হৈ পৰিছে Lumding বা Morigaon ৰ পৰা আহি কিবা শাসন চাব লগীয়া হয় তেনিয়াহলে S.D.C. জনেই ইয়াৰ উচ্চতম বিষয়া। কিন্তু S.D.C. য়ে কিমান দুৰ ক্ষমতা প্ৰয়োগ কৰিব পাৰে, সেই কাৰণে আমাৰ Nowgong মৌজাতে Administrative unit এটা মৰিগাওঁত হবৰ কাৰণে যিটো প্ৰস্তাৱ কৰিছে অকল সেইটোৱে নহয় আৰু দুটা মহকুমা নগাওঁত হব লাগে। Lumding, Hojai, Doboka এই অঞ্চল কেইটালৈ এটা মহকুমা আৰু আনফালে দি জাগীৰোড মৰিগাওঁ, লাহৰিঘাট এই অঞ্চল কেইটালৈ আন এটা মহকুমাৰ পৰা শাসন চলোৱাৰ ব্যৱস্থা হব লাগে। সেই কাৰণে প্ৰস্তাৱটো সমৰ্থন কৰাৰ লগে লগে মই আকৌ কৈছো যে Nowgong জিলাৰ শাসন বিকেন্দ্ৰীকৰণ কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লব বুলি আশা কৰি প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীউপেন্দ্ৰ নাথ সনাতন : অধ্যক্ষ মহোদয় এই সম্পৰ্কে মই কবলৈ গৈ ইয়াকে কওঁ যে আমাৰ দেশত নানা ৰকমৰ সমস্যা আছে। দেশ স্বাধীন হোৱাৰ পিছত আমাৰ Industry বাঢ়িছে আৰু Townয়ো বাঢ়িছে আৰু আমি জনসাধাৰণক সুবিধা দিবলৈ বিচাৰিছো। সেই ফালৰ পৰা মোৰ বন্ধু বৰা ডাঙৰীয়াই কোৱাৰ দৰে আমি ৰাইজক কিছুমান সুবিধা দিয়াৰ কথা চিন্তা কৰিব লাগে। আমাৰ তিনিচুকীয়া Subdivision হব লাগে বুলি ৫ বছৰে দাবী কৰি থকা হৈছে। তিনিচুকীয়া Subdivision নোহোৱাৰ কাৰণে তিনিচুকীয়া Townত এতিয়াও বাল্টি system চলি আছে senitary system নাই।

অধ্যক্ষ মহোদয়, তিনিচুকীয়াত এটা Sub-division হব লাগে বুলি চৰকাৰক অনুৰোধ কৰিয়েই আছো। ইয়াত Sub-division নোহোৱাৰ কাৰণে তাৰ কিছুমান মানুহৰ বৰ কষ্ট হৈছে। ঠাই টুকুৰা এই চাইদত হোৱাত ইয়াৰ সাধাৰণ মজতুৰ সকলে একোটা caseৰ কাৰণে Criminal হওক বা অন্য case হওক ডিব্ৰুগড়লৈ আহিবলগীয়া হৈছে। ইয়াত এটা Sub-division হলে মজতুৰ সকলৰ কষ্টৰ কিছু লাঘৱ হব। তিনিচুকীয়াত এটা Sub-divisionৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰীক কোৱা হৈছে আৰু যি কোনো মন্ত্ৰী তালৈ গলেই Memorandum দিয়া হয়। তাত যিটো ডাক বঙলা আছে তাত মাত্ৰ দুটা সাধাৰণ কোঠা আছে তাত Senitary Systemৰ সলনি latrine বিলাক বাল্টি System কৰিছে এইটো দেখিবলৈ বৰ বেয়া কথা। আজি তিনি-চুকীয়া টাউনে গুৱাহাটীৰ লগত ফেৰ মাৰিব পৰা হৈছে।

বুৰঞ্জীৰ ফালৰ পৰাও তিনিচুকীয়া এখন ঐতিহাসিক ঠাই। আৰু অন্যান্য ৰজাদিনীয়া কীৰ্ত্তি কলাপ আছে কিন্তু Sub-divisionটো নোহোৱাৰ কাৰণে এই বস্তু বিলাকৰ মা-বাপ নোহোৱা অৱস্থা। আমি যেতিয়া হাইদৰাবাদত গৈছিলো তাত (ৰাজধানীত) দেখিছিলো প্ৰত্যেক বস্তুৰে সুন্দৰ ব্যৱস্থা কৰি ৰখা হৈছে। ৰাষ্টাৰ দুয়োপাৰে ধুনীয়া ধুনীয়া দোকান ইত্যাদি। তিনিচুকীয়া মটক ৰজাৰ দিনৰ ৰাজ্য। আহোম ৰজা সকলে ৰংঘৰ তলাতল আদি আজি ৫০০শ বছৰ আগতে সজাইছিল। কিন্তু এনেকুৱা কিছুমান ঐতিসাহিক বস্তুৰ যত্ন নোলোৱাৰ ফলতে এই কীৰ্ত্তি চিহ্নৰ জৰাজীৰ্ণ অৱস্থা হৈছে। আমি যেনেকৈ অসমৰ বাহিৰত ভাল ভাল বস্তু চাবলৈ যাওঁ তেনেকৈ বাহিৰৰ দেশৰ পৰাও আমাৰ দেশলৈ ডাঙৰ ডাঙৰ মানুহ বিলাক আহে আজি তেওঁলোকক দেখুৱাবলৈ আমাৰ চাহ গছৰ বাহিৰে একো নাই। পুৰণিকলীয়া বস্তুবিলাকৰ স্থিতি নাইকীয়া হল। শিৱসাগৰত যিটো শিৱ মন্দিৰ আছে তাৰ ভিতৰত আজি কালি গৰু চৰোৱা পথাৰ তথা মন্দিৰৰ ভিতৰত গৰু সোমাই পাইখানা কৰি নষ্ট কৰি পেলায়। কিয়নো এই বিলাকৰ তদাৰক আমাৰ চৰকাৰে নকৰে।

আজি যদি অসমখন চাবলৈ কোনোবা বিদেশী পৰ্যাটক আহে তেন্তে চাবলৈ কিটো আছে। অসমত চাবলগীয়া এটা ভাল বস্তু নাই। ঐতিহাসিক বস্তু যি বিলাক আছিল সেই বিলাক সংৰক্ষণৰ অভাৱত নষ্ট হৈ গৈছে। তিনিচুকীয়াত যিটো তিনিকুনীয়া পুখুৰী আছিল সেইটোত আগতে তাৰ দি বেৰি ৰাখিছিল। কিন্তু আজি তাত তাৰ চাৰ একো নাই। তাৰ পাৰত আগতে মানুহ বহি তাৰ সৌন্দৰ্য্য চাব পাৰিছিল। কিন্তু তাৰ সংৰক্ষণৰ অভাৱত সকলো সৌন্দৰ্য্য নাশ পাই গৈছে। গতিকে এনেকুৱা ঐতিহাসিক ঠাই বিলাক পৰিস্কাৰ পৰিচ্ছন্ন কৈ ৰখা দৰ্কাৰ। এই ঐতিহাসিক প্ৰসিদ্ধ মটক বা আহোম ৰজাদিনীয়া যি বিলাক স্মৃতি চিহ্ন আছিল সেই বিলাক ৰক্ষা কৰিব পৰা নাই। তিনিচুকীয়াত যদি বেলেগ এটা Sub -division হয় তেনেহলে এইবিলাক ৰক্ষা কৰিব পৰা হব।

(সময়ৰ সংকেত)

এতিয়া আমাৰ সদৰ ঠাইৰ (Head Quarter) কথা সকলোৱেই জানে। আমাৰ তিনিচুকীয়াত কি স্বাস্থ্য, কি শিক্ষা, সকলো ক্ষেত্ৰতেই কোনো ৰকমৰ শৃঙ্খলতা নোহোৱা হৈছে। সেই কাৰণেই মই কব খুজিছো যে যি ঠাইত আমাৰ ৰাজধানী হব সেই ঠাই ভাল হব লাগিব সৰু টাউনেই হওঁক — মুঠতে চণ্ডীগড় বা ভুবনেশ্বৰৰ নিচিনা কৰক। ৰাজধানী ভাল হলে বাকীবিলাক এনেয়েও হব।

Shri Promode Chandra Gogoi: Mr. Speaker, Sir the resolution was regarding establishment of an administrative centre at Morigaon.

শ্ৰীউপেন্দ্ৰ নাথ সনাতন :- মৰিগাওঁটো হব লাগে আৰু তাৰ লগে লগে তিনিচুকীয়াটো হব লাগে আৰু প্ৰয়োজন হলে শিৱসাগৰটো হব লাগে। গতিকে এই সম্বন্ধে মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যেন তিনিচুকীয়াত এটা Sub-Division খোলাৰ কথা বিবেচনা কৰে।

শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী : এই সম্পৰ্কত মই এটা কথা কব খুজিছো যে নতুনকৈ মহকুমা কৰাৰ ক্ষেত্ৰত কাম বিলাক Piecemeal হব নালাগে। এই ক্ষেত্ৰত পৰিকল্পিত ভাৱে ব্যৱস্থা চৰকাৰে হাতত লব লাগে। ৬০ বা ৮০ বছৰৰ আগতে যি বিলাক প্ৰশাসনীয় জিলা বা মহকুমা খোলা হৈছিল, সেই সময়ত হয়তো সেই বিলাক জিলা বা মহকুমাই কাম চলাব পাৰিছিল। কিন্তু এতিয়া অৱস্থাৰ পৰিবৰ্ত্তন হোৱাৰ কাৰণে সেই বিলাক বৃদ্ধি কৰাৰ প্ৰয়োজন আছে। গতিকে এই কাম কৰোতে সুপৰিকল্পিত ভাৱে কৰিব লাগে। যেনেকৈ মহাৰাষ্ট্ৰ আদিত পৰিকল্পিত ভাবে কৰিছে। এই পুনৰ সংগঠন কাৰ্য্য সমগ্ৰ অসমতেই হব লাগে।

শ্ৰীযদু নাথ ভূঞা : অধ্যক্ষ মহোদয়, তিনিচুকীয়াত এটা মহকুমা খোলাৰ সম্পৰ্কত মাননীয় সদস্য শ্ৰীউপেন্দ্ৰ সনাতন ডাঙৰীয়াই যি কথা কৈছে সেইটো মই সমৰ্থন কৰো। শ্ৰীযুত চৌধুৰী তেখেতে নলবাৰীত এটা মহকুমা পালেই। আৰু ধেমাজীত এটা মহকুমা হল কিন্তু তিনিচুকীয়াত হওঁ হওঁ কৰি হোৱা নাই। মই যেতিয়া Development Authority ৰ Chairman আছিলো তেতিয়া তিনিচুকীয়াত জেলৰ আৰু court ৰ কাৰণে মাটি বহুতো লোৱা হৈছিল।

Shri Promode Chandra Gogoi: Mr. Speaker sir what is the subject for discussion? The resolution was with regard to morigaon.

শ্ৰীযদু নাথ ভূঞা : মৰিগাওঁৰ লগতেই এই কথা আছিল আৰু এই সম্পৰ্কত মুখ্যমন্ত্ৰী ডাঙৰীয়া তালৈ যাওঁতে Representation দিয়া হৈছিল। সৌভাগ্য বশতঃ তেখেতৰ লগত বিত্তমন্ত্ৰী ডাঙৰীয়াও আছিল। মোৰ মনত পৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াই Informal ভাবে বিত্তমন্ত্ৰী ডাঙৰীয়াক তিনিচুকীয়াত এটা নতুন মহকুমাৰ প্ৰয়োজনীয়তাৰ কথা কৈছিল। আৰু আগৰ মুখ্যমন্ত্ৰী ৺বিমল প্ৰসাদ চলিহাইও এই কথা কৈছিল। কিন্তু বিত্তমন্ত্ৰী ডাঙৰীয়াই সেই দিনা কোনো সম্মতি প্ৰদান নকৰিলে। তাত জেল, কৰ্ট আৰু অন্যান্য কাৰণত যি মাটি ৰখা হৈছে নতুন মহকুমাৰ কাৰণে সেইখিনিয়েই যথেষ্ট হব।

শ্ৰীজালালুদ্দিন আহমেদ: প্ৰস্তাৱটো বিশেষভাবে মৰিগাওঁত মহকুমা হোৱাৰ কথা তাত তিনিচুকীয়াৰ কথা কেনেকৈ আহে।

শ্ৰীযদু নাথ ভূঞা: সেইটো অকলেই হব নোৱাৰে অসমৰ সকলো ঠাইতে যত যুত প্ৰয়োজন আছে কৰিব লাগে। আৰু সেই বাবে মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াক বিশেষ ভাবে অনুৰোধ কৰিব।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয় এই প্ৰস্তাৱটোৰ পৰিসৰ কম আছিল কিন্তু তাৰ আলোচ্য বিষয়হে বৃদ্ধি পাইছে। আৰু এই পৰিসৰ বৃদ্ধি হোৱাৰ কাৰণে মূল বিষয় বস্তু তল পৰি গৈছে।

নগাওঁ জিলাত ১৭ লাখ মানুহৰ বসতি। এই জিলাখনত বহুত দিনৰ আগতেই এটা মহকুমা হোৱা উচিত আছিল। কিন্তু নগাওঁ জিলাৰ জনসাধাৰণৰ পৰা ইমান দিনে মহকুমাৰ দাবী উত্থাপন কৰা হোৱা নাছিল। বৰং শ্ৰীবৰা ডাঙৰীয়াই উল্লেখ কৰিছে যে ৺মতি বৰা ডাঙৰীয়াই মৰিগাৱত মহকুমা হোৱাৰ কাৰণে চেষ্টা কৰিছিল। কিন্তু তেখেতৰ মৃত্যু হোৱাৰ কাৰণে মৰিগাৱত মহকুমা হৈ নুঠিল। কিন্তু মই যি জানো তেখেতে এই কথাত বিৰোধিতাহে কৰিছিল। কাৰণ নগাওঁ জিলাক ভাগ ভাগ কৰাৰ ইচ্ছা তেখেতৰ নাছিল।

শ্ৰীফণী বৰা: কোন বৰাৰ কথা কৈছে?

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী (মুখ্যমন্ত্ৰী): তেখেতে বৰং কৈছিল যে আমাৰ নগাওঁ জিলাৰ ভিতৰত এটা ঐক্য আছে। কিন্তু মহকুমা বুলি ভাগ ভাগ কৰিলে সেই ঐক্য বিনষ্ট হে হব। সেই কাৰণে তাত স্থানীয়ভাৱে যি বিলাক অফিচৰ প্ৰয়োজন হয় সেই ঠাইত দিয়াই ভাল হব। আৰু নগাওঁক নগাওঁ জিলাৰ একমাত্ৰ সদৰ হিচাপে ৰাখিব লাগে।

তাৰো পৰি তাত যি উকিল, Advocate আছে সেই সকলৰ ফালৰ পৰাও ইয়াত সহাৰি পোৱা নাই। তেখেত সকলে ভাবে যে ইয়াত মহকুমা হলে বিচাৰ বিষয়ৰ খৰচ বেছি হব আৰু তাৰ কাৰণ দুখীয়া শ্ৰেনীৰ মানুহে কষ্ট পাব। সেই কাৰনেই নগাৱৰ মহকুমাৰ কথাত বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। ইতিমধ্যে হোজাইৰ পৰাও এটা দাবী আহিছে যে নগাওঁ জিলাৰ সম্ভাব্য মহকুমাটো তাত হব লাগে। এই সম্পৰ্কে এটা প্ৰস্তাৱো ডাঙি ধৰিছে। অৱশ্যে মৰিগাৱত এটা administrative unit হব লাগে। আমাৰ কিছুমান ঠাইত এনেধৰণৰ administrative unit স্থাপন কৰা হৈছে আৰু কিছুমান আগৰে পৰাই আছে। নলবাৰী, ধেমাজীত এনে unit আছিল আৰু এতিয়া মহকুমা হৈছে। তিনিচুকীয়াটো তেনে ধৰণৰ এটা administrative unit আছে।

কিন্তু বৰ্ত্তমান আমাৰ কিছুমান ঠাইত administrative unit স্থাপন কৰা হৈছে। ধেমাজী, তিনিচুকীয়া মিকিৰ পাহাৰ, আৰু নলবাৰীত আগৰে পৰা administrative unit আছে। কিন্তু ধেমাজী, নলবাৰী আদি মহকুমাতে পৰিণত হৈছে। যি বিলাক ঠাইত administrative unit আছে তাত এজন জিলা উপায়ুক্ত আছে। তেওঁৰ নিৰ্দ্দেশমতেই কাম কৰে আৰু সকলো কথাৰ কাৰণে উপায়ুক্তৰ নিৰ্দেশ অনুযায়ীয়েই বিবেচনা কৰা হয়। সেইকাৰণে আমাৰ যি বিলাক ঠাইত administrative unit হৈছে তাত কাৰ্য্যকৰী

নোহোৱাৰ কাৰণে administrative unit আৰু নতুনকৈ নোহোৱাই বাঞ্ছনীয়। কাৰণ adminisrative unit হলে মুন্সিফ আদালত হয় আৰু স্থায়ী উকিল নেথাকিলে বহুত দূৰৰ পৰা আনিব লগীয়া হয়। তেতিয়াই চৰকাৰৰ খৰচ বেছি পৰে। সেইবাবেই অভয়াপুৰীত থকা administrative unit ৰ বিষয়ে আমাৰ M.L.A. শ্ৰীকন্দৰ্প বণিক্যই কৈছে যে এইখন ইয়াত এনেয়েহে আছে। তাৰ দ্বাৰা একো কাম হোৱা নাই। সেই কাৰণেই অভিজ্ঞতাৰ ফালৰ পৰা কৈছো যে administrative unit ৰ দ্বাৰা যি বিলাক সমস্যা সমাধান কৰিবলৈ বিছাৰিছে সেই বিলাক সমস্য সমাধান হব নোৱাৰে। এই আলোচনাৰ পৰিপ্ৰেক্ষিতত সেইদিনা শ্ৰীফনী বৰা ডাঙৰীয়াই আমাৰ সাধাৰণ প্ৰশাসনত কৈছে যে নগাৱত কমেও আৰু তিনিখন Snb-division হব লাগে। কলিয়াবৰ, হোজাই, লঙ্কাত sub-division হব লাগে। আমাৰ প্ৰশাসনৰ কৰ্মচাৰী যদি একেলগে থাকে তেনেহলে প্ৰশাসনৰ ক্ষেত্ৰত সুবিধা হয় মানি লৈছো কিন্তু এইটো কৰিলে বৰ্ত্তমান যি আৰ্থিক পৰিস্থিতি, সেই আৰ্থিক পৰিস্থিতিত সম্ভৱ হয় নে বিবেচনা কৰিব লাগিব। আমাৰ আজি মহকুমা স্থাপন কৰিবলৈ হলে, কমেও ২৫ লাখ টকাৰ আৱশ্যক। ২৫ লাখ টকা নহলে এটা sub-division কৰিব নোৱাৰি। আমাৰ ধেমাজী মহকুমা কৰিলে যিহেতু ধেমাজী গাৱলীয়া অঞ্চল গতিকে ভাড়া ঘৰ পাবলৈ নাই। গতিকে মহকুমাত যি খিনি সামগ্ৰীৰ দৰকাৰী সেইটো আজিও কৰিব পৰা নাই। সেই কাৰণেই তাত যদি এনেকুৱা এটা অৱস্থাত নতুনকৈ আকৌ এটা মহকুমা স্থাপন কৰা হয় তেনেহলে এই বিলাক বেমেজালি বাঢ়িহে যাব নকমে। মই আগেয়ে কৈছো নগাওঁ জিলাত ১৭ লাখ মানুহ আছে। ভিন ভিন জাতি, নানা ভাষা ভাষী মানুহ ইয়ালৈ আহিছে। ইয়াত জনজাতি, scheduled caste ৰ মানুহ আদি সকলোৱেই আছে গতিকে বিশেষ তত্বাৱধান কৰিব লাগিব, কাৰণ মহকুমা ওচৰা—ওচৰি হলে বা নতুনকৈ কৰিব পাৰিলে সুবিধা হয় সেইটো মই নুই কৰিব নোৱাৰো। সেই কাৰণে মই এই দাবীত যি administrative unit ৰ কথা হৈছে বিশেষ গুৰুত্ব দিব নোৱাৰিলো কাৰণ ইয়াৰ দ্বাৰা সমস্যা সমাধান নহয়। কিন্তু তিনিখন মহকুমা স্থাপন সম্ভৱ নহয় আৰ্থিক ফালৰ পৰা সেই বিষয়ে বিবেচনা কৰি চাই সিদ্ধান্ত কৰা হব। আমাৰ ঠিক তেনেকৈ তিনচুকীয়াৰ জনসংখ্যাও বহুত আছে আৰু সেইদৰে সমস্যাও আছে। গতিকে সেইবিলাক বিবেচনা কৰি চোৱা হব। আমাৰ প্ৰভাত নাৰায়ন চৌধুৰী ডাঙৰীয়াই কৈছে গোটেই অসমৰ সমস্যা বিলাক বিবেচনা কৰি সিদ্ধান্ত লব লাগে। কিন্তু সেইটো সম্ভৱপৰ নহব কাৰণ আৰ্থিক বিষয়ৰ ফালৰ পৰা এইটো সম্ভৱ নহয়। গতিকে চৰকাৰৰ ফালৰ পৰা স্থিৰভাৱে আৰু বিজ্ঞানসম্মতভাৱে বিবেচনা কৰি চাই সিদ্ধান্ত লবৰ কাৰণে সুবিধা দিব লাগিব। Administra-tive unit হলে সমস্যা পূৰণ নহয় ভৱিষ্যতে মহকুমা যদি হব পাৰে তেনেহলে মৰিগাওঁ আৰু নগাওঁত দ্বিতীয় মহকুমা কৰিবলৈ চেষ্টা চলোৱা হব। সেই কাৰণে যিবোৰ ঠাইত মহকুমা স্থাপন কৰা নাই সেই ঠাইত administrative unit নকৰি মহকুমাৰ স্থাপন কৰিলেই সমস্যাবোৰ সমাধান হব বুলি মোৰ ধাৰণা। এই খিনি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীপিটসিং কোঁৱৰ: উপাধ্যক্ষ মহোদয়, প্ৰস্তাৱটোত মৰিগাঁওত administrative unit হব লাগে বুলি কোৱা হৈছে কিন্তু আচলতে মহকুমাহে। গতিকে মই administrative unit টো উঠাই লৈ মহকুমা বুলি কৈছো। মৰিগাওঁ মহকুমা হব বুলি আশ্বাস দিছে যেতিয়া মই প্ৰস্তাৱটো উঠাই লৈছো।

RESOLUTION FOR REMOVING ANOMALIES IN THE EDUCATIONAL SYSTEM.

Shri Prabhat Narayan Choudhury : Mr. Speaker, Sir, My resolution is this. This Assembly recommends to the Government to take immediate and effective measers for removing the anomalies in the educational system in primary and the Secondary stages due to existence of several classes of Schools such as M.V. Schools, M.E. Schools, M.E. Madrasa Senior Basic, Junior Basic, Govrnment L.P. School, Boards L.P. Schools, etc.

অধ্যক্ষ মহোদয়, বৰ্ত্তমান প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিষয়ত আউল লাগিছে। আগতে M.V. স্কুল বিলাক স্বকীয়া আছিল আৰু তাতে প্ৰটি L.P. স্কুলৰ শিক্ষক হৈছিল আৰু মণ্ডল হৈছিল। এতিয়া যিহেতু শিক্ষাৰ মান বাঢ়িছে আৰু M.E. স্কুল হাইস্কুল হব ধৰিছে তেতিয়া M.V. স্কুলটো ইংৰাজী পঢ়োৱাৰ ব্যৱস্থা কৰিলে। M.V. স্কুলত মাচুল নাছিল আৰু হাইস্কুলত এসময়ত ৪ৰ্থমানৰ পৰা ১০ম মানলৈ মাচুল আছিল। এতিয়া মাধ্যমিক স্তৰলৈকে free education হোৱাত মাচুল উঠি গল। M.V. পাচ কৰি L.P. শিক্ষকো হব নোৱাৰে বা মণ্ডলো হব নোৱাৰে। M.V. স্কুলত ৪ৰ্থ মানৰ পৰা ৬ষ্ঠ মানলৈ ৯-১০জন শিক্ষক থাকে অথচ ছাত্ৰ সংখ্যা বৰ কম আৰু শিক্ষকৰ বেতন দিওতে ৬শ-এশ টকা খৰচ হয়। এই M.V. আৰু M.E. স্কুলবোৰ উঠাই দিয়াৰ পৰামৰ্শ ১৯৬৭ চনতে আগবঢ়োৱা হৈছিল। কিন্তু চৰকাৰৰ ফালৰ পৰা এই কাম খৰতকীয়াকৈ কৰাৰ কোনো চিন দেখা নেযায়। D.P.I. অফিচত খবৰ কৰি গম পালো যে এইকাম সম্পূৰ্ণ হোৱা নাই আৰু ৪/৫ বছৰ হয়তো লাগিব আৰু কয় যে শিক্ষক বিলাকক কি কৰিব? যেতিয়া পৰিবৰ্ত্তন এটা কৰিব লগা হয় তেতিয়া যিসকলৰ চাকৰি অদল বদল কৰিব লগা হয় তেওঁলোকক pay protection দি অন্য ঠাইত নিয়োগ কৰিব পাৰে। আমাৰ অসমত এতিয়াও এজনীয়া শিক্ষকৰ L.P. স্কুল বহুত আছে। আমাৰ নলবাৰীতে Single teacher school ৪১৬ খন আছে। এইবোৰ স্কুলত এজন শিক্ষকে ৫টা শ্ৰেনী চম্ভালিব নোৱাৰে। গতিকে M.V. স্কুল আৰু M.E. স্কুল বিলাক উঠাই দি স্কুলবোৰৰ অতিৰিক্ত শিক্ষক সকলক এই এজনীয়া L.P. স্কুল বিলাকত নিয়োগ কৰিব পাৰে। বুনিয়াদী স্কুলবোৰ দুভাগত ভগোৱা কিছুমান বৰ্ডৰ আৰু কিছুমান চৰকাৰী। এইদৰে ভাগ ভাগ নকৰি M.V আৰু M.E লগ লগাব লাগে। তাকে কৰিলে চৰকাৰৰ যথেষ্ট টকাও বাচি হব সেইদৰে বুনিয়াদী স্কুলবোৰত যি ধৰণে শিক্ষা দিব লাগে তাৰ কাৰণে দৰ্কাৰী সা-সৰঞ্জাম একো নাই মাত্ৰ

চাইন বৰ্ধনহে আমি পালো। বৰ্তমান স্কুল বৰ্ধন, ভট্টা স্তৰত গঠন কৰা হৈছে— School Board, Advisory Board আৰু শিক্ষাবৰ্ড। primary, M.V, M.E, School বিলাকৰ কিছুমান বৰ্ডৰ আৰু কিছুমান চৰকাৰী। এইদৰে ভাগ ভাগ নকৰি M.V. আৰু M.E. লগ লগাব লাগে. তাকে কৰিলে চৰকাৰৰ যথেষ্ট টকাও ৰাহি হব।

শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী :- আমাৰ আগৰ শিক্ষামন্ত্ৰী জয়ভদ্ৰ হাগিজেৰ থাকোতে মোটামোটি ভাবে শুনিছিলো যে, প্ৰায় ২ কোটি টকা সঞ্চয় হয়। অৱশ্যে সেইটো গৱৰ্ণমেণ্টৰ ৰাহি নহয়। সেইটো টকা শিক্ষাৰ ক্ষেত্ৰতে খৰচ কৰিব পৰা হব। আমি যেতিয়া Elementary Education Board ৰ পৰা আমি পৰামৰ্শ দিছিলো যে to set up a Committee for this Parpose। কিন্তু সেই কমিটিটো কোনে কৰিব? সেই সম্বন্ধে ইয়াত এটা বেমেজালি থাকিব। কিন্তু তথাপি এইটো কথা বিবেচনা কৰিবলৈ কেইবাৰো কোৱা হৈছে ১৯৬৭ চনৰ পৰা ১৯৭০ চন হল— কিন্তু এইটো কাৰ্য্যকৰী নহল। এতিয়া ১৯৭১ চনতো এইটো কাৰ্য্যকৰী কৰিবৰ কাৰণে কোনো ব্যৱস্থা কৰিব পৰা নাই। আমি নতুন নকৈ স্কুল নকৰি এই M.E. আৰু M.V. স্কুলবিলাক মিলাই এক কৰিব লাগে। এইটো কেনেকৈ কৰিব সেইটো ভালকৈ চিন্তা কৰিব লাগে। আৰু এই দোষণীয় ব্যৱস্থাটো সোনকালে সংস্কাৰ কৰাৰ কাৰণে চৰকাৰে প্ৰতিশ্ৰুতি দিছে আৰু বিধান সভাৰো প্ৰতিশ্ৰুতি পাইছো। গতিকে এই কাম যাতে সোনকালে কৰে তাৰবাবে অনুৰোধ কৰি বক্তব্য সামৰণি মাৰিলো।

শ্ৰীসোনেশ্বৰ বৰা :- অধ্যক্ষ মহোদয়, আমাৰ চৌধুৰী ডাঙৰীয়াই যিটো শিক্ষাৰ ক্ষেত্ৰত খেলিমেলিৰ কথা আলোচনা কৰিছে সেইটো মই সমৰ্থন জনাইছো। মই দেখিছো প্ৰায় শিক্ষাৰ ক্ষেত্ৰত অনেক বেমেজালি হোৱা দেখিছো, আমাৰ ইয়াত Government বেচিক স্কুল আছে, M.V. স্কুল আছে। উচ্চ বুনিয়াদী স্কুল আছে। ইয়াৰে Government উচ্চ বুনিয়াদী স্কুলটো D.P.I. ৰ তলত থাকে আৰু উচ্চ বুনিয়াদীটো Jt. D.P.I. ৰ তলত থাকে। গতিকে M.V. স্কুল পাছ কৰা আৰু Senior Basic পাছ কৰা ল'ৰা-ছোৱালীয়ে একেলগে হাইস্কুলত সপ্তম শ্ৰেনীত ভৰ্ত্তি হবলগীয়া হয়। ইয়াৰ ফলত বহুতো বেমেজালি হব পাৰে। আমাৰ প্ৰাইমাৰী স্কুলৰ যি শিক্ষা শেষ হোৱা পৰীক্ষা সেইটো কলিকতাত ছপোৱা হয় অথচ আমাৰ ইয়াতে বহুতো ছপাখানা আছে। ইয়াৰো পৰি প্ৰাইমাৰী স্কুলৰ পৰীক্ষা নবেম্বৰ মাহৰ প্ৰথম সপ্তাহতে হয় আৰু হাইস্কুলৰ শ্ৰেণী আৰম্ভ হয় ফেব্ৰুৱাৰী মাহৰ পৰা। এই সময়ত প্ৰায় তিনিমাহ কাল ল'ৰা-ছোৱালীৰ সকলোফালে নষ্ট হয়। তেওঁলোকে পঢ়া-শুনা কৰিব নোৱাৰে, সময় নষ্ট হয় আৰু টকা পইচাৰ ফালৰ পৰাও এটা বিৰাট খেলিমেলি হয়। এতিয়া দেখা গৈছে গাওঁ অঞ্চল বিলাকত উচ্চ বুনিয়াদী M.V. স্কুল প্ৰতিষ্ঠা হৈছে গতিকে তৃতীয়া শ্ৰেণী পাচ কৰাৰ পাছত আমাৰ ল'ৰা-ছোৱালীয়ে পঢ়িবলৈ সুবিধা আছে।

শ্ৰীফণীধৰ বড়ো:- এতিয়া যিহেতু— Class VI ৰ গোটেই স্তৰতো চৰকাৰী স্কুলেই হওঁক বা M.E. School য়েই হওঁক বা Girls School য়েই হওক মাহিত বেহাই দিয়াৰ ব্যৱস্থা হৈছে যেতিয়া এই বিষয়টো বিবেচনা কৰাটো দৰকাৰ হৈ

পৰিছে। M.V স্কুল Board হলে শিক্ষকসকলক দৰমহা আদি দি লব লাগে কিন্তু চৰকাৰে ললে সাহায্য কিবা এটা দি লব পাৰে, সেইকাৰণে সেই ৰকমৰ ব্যৱস্থা লৈ স্কুলবিলাক লোৱাৰ ব্যৱস্থা হব লাগে। প্ৰভাত নাৰায়ণ চৌধুৰী ডাঙৰীয়াই টকা বাচিব বুলি কৈছে কিন্তু চৰকাৰে এই স্তৰৰ স্কুলবিলাক চৰকাৰে ললে বহুতো অসুবিধা দূৰ হব। যিবিলাক শিক্ষকে আজি বহু বছৰ ধৰি শিক্ষকতা কৰি আছে তেওঁলোকৰ খেদোৱাৰ কথা নাহে কিন্তু সকলো শিক্ষকে Adjust কৰি এটা পদ্ধতি কৰা ভাল। তদুপৰি দৈহিক, Montessori, পদ্ধতি আছেই সেইবিলাকৰ কথা মই কবলৈ যোৱা নাই। M.V, M.E. আৰু উচ্চ বুনিয়াদী এটা পৰ্য্যায়টো আমিয়ে অভিভাবক ছাত্ৰ ছাত্ৰী সকলোৰে সুবিধা হব, ইয়াকে কৈ মই প্ৰস্তাৱটো সমৰ্থন কৰো আৰু আমাৰ শিক্ষামন্ত্ৰী Joy Bhadra Hagger, ডাঙৰীয়াই আৰু চৌধুৰী ডাঙৰীয়াক জনাও যে বিভিন্ন স্তৰৰ স্কুলবিলাক উঠাই এটা স্তৰলৈ আনিব লাগে।

শ্ৰীপ্ৰেমধৰ বড়োঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে সেইটো সমৰ্থন জনাওঁ আৰু মাননীয় সদস্য চৌধুৰীৰ, এচৰত আগতে বৰ্ত্তমান ৰাজ্যিক শিক্ষামন্ত্ৰী বহিছিল আৰু তেখেতে সেই সময়ত যিবিলাক গঠনমূলক পৰামৰ্শ আগবঢ়াইছিল সেইখিনি ভবাহেতেন মন্ত্ৰী হৈ বিবেচনা কৰিলে ৰাজ্যৰ উপকাৰ হব।

বৰ্ত্তমান শিক্ষা ক্ষেত্ৰত আমি ৩টা বৈষম্য দেখিবলৈ পাইছো- এটা হৈছে নীতিগত বৈষম্য, এটা হৈছে আৰ্থিক বৈষম্য আৰু আনটো হৈছে প্ৰশাসনীক বৈষম্য। নীতিগত বৈষম্য হৈছে এইটো M.V. Senior Basic M.E. Junior Basic ইত্যাদি বিভিন্ন ৰকমৰ স্কুল ৰখা হৈছে আৰু অৰ্থিক বৈষম্য ফালৰ পৰা কবলৈ গলে কিছুমানে Grant পায় কিছুমানে নাপায় আকৌ কিছুমানে Ad. Grant নাপায় আৰু কিছুমানে নিচুকণি পায় আৰু কিছুমানে এইটো নাপায় ইত্যাদি। প্ৰশাসনীক বৈষম্য হল যে কিছুমান স্কুল control কৰে Education secy. য়ে কিছুমান D.P.I. য়ে আকৌ কিছুমান স্কুল Secordary Education Board ইত্যাদি কিছুমান স্কুলত হিন্দী নপঢ়োৱাকৈয়ে Class—VIIত নাম লগাব পাৰে এইদৰেনানা বৈষম্য আছে। সেই কাৰণে এই আটাইবোৰ বৈষম্য দূৰ কৰি নাম এটা পদ্ধতিৰে শিক্ষা দিবৰ কাৰণে অনুৰোধ জনাই এই প্ৰস্তাৱটো সমৰ্থন কৰিলো।

*শ্ৰীঅবলা কান্ত গোস্বামী :- অধ্যক্ষ মহোদয়, মই দুষাৰমান কব খুজিছো। আমাৰ চৰকাৰৰ L.P. স্কুল Junior Basic স্কুল Senior Basic স্কুল ইত্যাদি যিবোৰ স্কুল আছে সেই সকলোবোৰ Board অৰ under ত। সেইৰকমে হাইস্কুলৰ Aided High School, Aided M. E, চৰকাৰী M. E. চৰকাৰী High School আদি বিভিন্ন পৰ্য্যায়ৰ স্কুল আছে। হাইস্কুল পৰ্য্যায়ৰ চৰকাৰী সাহায্য প্ৰাপ্ত স্কুল থাকিব পাৰে যেতিয়া L.P. স্কুলৰ কোনটো বোৰ্ডৰ স্কুল থাকিব পাৰা বুলি মই ভাবো। সেই কাৰণে মই কওঁ যে সাহায্যপ্ৰাপ্ত হাইস্কুল উঠাই দি সকলো বিলাক চৰকাৰী হাইস্কুল কৰিব লাগে নতুবা সকলো বিলাক স্কুলকে সাহায্য প্ৰাপ্ত কৰিব লাগে। যিহেতু সকলো স্কুল একোখন Secondary Board ৰ অধীনত আছে।

*Speech not corrected.

M.V. আৰু M.E. দুয়োটাত একে ৰকমৰ পাঠ্যক্রম হব লাগে। কাৰণ M.V. স্কুল বিলাকত উচ্চ খাপৰ অংক আৰু সাহিত্য পঢ়োৱা হয় কিন্তু M.V. স্কুলত উচ্চ স্তৰত অংক আৰু অসমীয়া পঢ়োৱা নহয়, আৰু M.E. স্কুল বিলাকত ইংৰাজী শিকোৱা হয় আৰু লগতে M.V. স্কুলবিলাকতো ইংৰাজী শিকোৱা হয়।

মই পৰীক্ষক হিচাপে দেখিছো যে, যিজন ছাত্ৰই M.V. স্কুলৰ পৰা পৰীক্ষা দিয়ে, সকলো বিষয়তে উচ্চ নম্বৰ পায় কিন্তু ইংৰাজীৰ কাগজখনত M.E. স্কুলৰ ল'ৰাতকৈ কম নম্বৰ পায়। মই নম্বৰৰ কথা জানো, যি M. V. পৰীক্ষাত অসমৰ ভিতৰতে ২য় স্থান পাইছে—তেওঁ ইংৰাজীৰ Dictation Paper খনত M.E. স্কুলৰ সকলতকৈ নম্বৰ বহুত কম পাইছে। M.V. স্কুলৰ পৰা যেতিয়া হাইস্কুললৈ আহে তেতিয়া Class-VII ত আহি ইংৰাজীত কেচা হৈ আৰু Matriculation ত ইংৰাজীত ভাল নম্বৰ ৰাখিব নোৱাৰে। সেই কাৰণে M.V. আৰু M.E. ৰ এটা পৰ্য্যায়লৈ আমি একেৰকমৰ পাঠ্যক্রম কৰাটো ভাল হব।

সেইদৰেই হিন্দী শিক্ষা সম্পৰ্কত কওঁ যে M.V. স্কুলত হিন্দী শিক্ষক দিব পৰা নাই। হিন্দী ৰাষ্ট্ৰ ভাষা হোৱাৰ কাৰণে Class-VII ৰ পৰা হিন্দী পঢ়িব লাগিব আৰু M.V. পাচ কৰি অহা ছাত্ৰৰ কাৰণে হিন্দী পঢ়াত অসুবিধা হয়। গতিকে M.V. আৰু M.E. স্কুল দুয়োটা একে পৰ্যায়লৈ আনিলে ভাল হয়। কিন্তু আমাৰ যিবিলাক চৰকাৰী M.E. স্কুল আছে সেই বিলাকৰ সম্পৰ্কত মই opinion দিব বিচৰা নাই। কাৰণ Aided হাইস্কুলো আছে আৰু চৰকাৰী হাইস্কুলো আছে। এই সম্পৰ্কৰ কথা মই চৰকাৰৰ ওপৰতে এৰি দিবলৈ ইচ্ছা কৰোঁ। এইখিনি কৈয়ে মই চৌধুৰীদেৱৰ প্ৰস্তাৱতো সমৰ্থন কৰিছো।

শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠী: তেখেতক এটা কথা সুধিব খুজিছো। কথাটো হৈছে আমাৰ ৰাজ্যিক ভাষা অসমীয়া কৰা হৈছে আৰু অসমীয়া ৰীবাৰ পাচত যিবিলাক লৰা মেট্ৰিকৰ ফালে যাব নোখোজে আৰু অসমীয়া পঢ়ি শিক্ষা শেষ কৰিব খোজে তেওঁলোকৰ ওপৰত ইংৰাজীৰ বোজা ৰেছি দিয়াৰ কি যুক্তি আছে। যি ক্ষেত্ৰত মাননীয় সদস্যই কৈছে যে M.V. স্কুলৰ standard ইংৰাজী বাদ দি M.E. স্কুলৰ সমপৰ্যায়ৰ কৰিব লাগে।

শ্ৰীঅবলা কান্ত গোস্বামী: এই সম্পৰ্কত মই ব্যক্তিগতভাৱে এইটোকে কব খোজো যে মেট্ৰিকলৈকে ইংৰাজী Optional কৰিলে ভাল হয়। যেনেকৈ এতিয়া সংস্কৃতক Optional কৰি ৰখা হৈছে। মই ইংৰাজী বাদ দিবলৈ কোৱা নাই কাৰণ এইটো বিদেশৰ লগত সম্বন্ধ ৰক্ষা কৰা ভাষা আৰু বিদেশী জ্ঞানৰ আহৰণৰ মুক্ত পথ। যিসকলে ইংৰাজী, বিদেশী ভাষা পঢ়িবলৈ ইচ্ছা কৰে তেওঁলোকক এই সুবিধা দিব লাগে। কিন্তু ইংৰাজী optional কৰিলে ভাল হয়।

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীযুত চৌধুৰীদেৱে প্ৰাইমাৰী M.V.M.E. স্কুলৰ বিভিন্ন পৰ্যায়ত শিক্ষাৰ সমন্বয় সাধন কৰাৰ কথা প্ৰস্তাৱত উল্লেখ কৰিছে। এই বিষয়টো এই সদনত বহুদিনৰ পৰা আলোচনা বিলোচনা হৈ আহিছে। এই বিষয়ত সদস্য সকল যেনেকৈ শিক্ষা পদ্ধতিৰ বেমেজালি সমূহ

দুৰীকৰণৰ বাবে ইচ্ছুক চৰকাৰো সমানেই উদ্বীগ্ন। যোৱা বছৰতে M.V, M.E আদি সমধৰ্মী স্কুলবিলাক একত্ৰি কৰণৰ সম্পৰ্কত Cabinate ৰ Decision হৈ আছে আৰু Implimantation ৰ বাবে আৱশ্যকীয় ব্যৱস্থাসমূহ পৰীক্ষা নিৰীক্ষা কৰি থকা হৈছে। যোৱা ফেব্ৰুৱাৰী মাহত ৰাজ্যিক প্ৰাথমিক শিক্ষাবৰ্ডে বিভিন্ন প্ৰকাৰৰ প্ৰাইমাৰী, বেচিক আৰু মজলীয়া স্কুল সমূহৰ সমন্বয় সাধিবৰ বাবে চৰকাৰক অনতি পলমে কাৰ্য্যকৰী ব্যৱস্থা হাতত লবলৈ অনুৰোধ কৰি এটা প্ৰস্তাৱ লোৱা হৈছিল। চৰকাৰে এই ব্যৱস্থাৰ প্ৰাথমিক পদক্ষেপ স্বৰূপে বেচিক বিভাগটো মূল শিক্ষা বিভাগৰ লগত চবিত্ৰকৰণৰ সিদ্ধান্ত কৰিছে। এইটো কৰিবলৈ তেতিয়া সেইবিধ সূত্ৰ আৰু অন্যবিলাকৰ সমন্বয় সাধনৰ ক্ষেত্ৰ তৈয়াৰ হব। প্ৰাইমাৰী M.V, M.E, Senior Basic আদি সকলো চৰকাৰী আৰু বেচৰকাৰী স্কুল একত্ৰিকৰণ কৰি Education Board ৰ তললৈ আহি একে পৰ্যা ৰ কৰিবৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণৰ কাম হাতত লোৱা হৈছে। তেতিয়া Elementary শিক্ষা ব্যৱস্থাত ভা লমান বেমেজালি দূৰ কৰিব পৰা হব বুলি চৰকাৰে বিশ্বাস কৰে। Resolution ৰ বিষয় বস্তুৰ ওপৰত যোৱা ১বছৰ ধৰি আৱশ্যকীয় নানা ব্যৱস্থা হাতত লবলৈ চৰকাৰৰ তৰফৰ পৰা চেষ্টা কৰা হৈছেই গতিকে এই প্ৰস্তাৱটো উত্থাপন পুনৰ কামটো খৰ্টকীয়া কৰিবৰ নিমিত্তে সোঁৱৰাই দিয়াৰ হেতু মাননীয় চৌধুৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো আৰু তেখেতক অনুৰোধ কৰিছো যাতে তেখেতে প্ৰস্তাৱটো উঠাই লয়।

শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী: প্ৰস্তাবটো আছিল কাৰ্য্যকাৰীতাৰ সম্পৰ্কত। বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই যেতিয়া কাৰ্য্য ব্যৱস্থা হাতত লৈছে মোৰ প্ৰস্তাৱটো উঠাই লোৱাত আপত্তি নাই। কিন্তু এটা কথা মই তেখেতক অনুৰোধ কৰো যেন এটাৰ পাচত আন এটা নতুন সিদ্ধান্ত লৈ কাৰ্য্যকৰী কৰাত পলম নকৰে আৰু এই সিদ্ধান্ত কাৰ্য্য ব্যৱস্থা অহা Acadamic Year ৰ আগতে নহলে শিক্ষানুষ্ঠান বিলাকত কাম কৰিবলৈ অসুবিধা হয়। গতিকে মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যাতে নতুন পাঠ্যক্ৰম স্কুলবিলাকত আৰম্ভ হোৱাৰ আগতে স্কুল বিলাক গ্ৰহণ কৰিব পৰাকৈ অগতিয়াকৈ প্ৰচাৰ হব লাগে। শ্ৰীযুত বৰা ডাঙৰীয়াই কোৱাৰ দৰে, প্ৰাইমাৰী স্কুলৰ পৰীক্ষা বিলাক উঠাই দিব লাগে। এই বিষয়ত আলোচনা কৰা হৈছে কিন্তু ফল একো হোৱা নাই। গতিকে এই সকলোবিলাক ব্যৱস্থা চৰকাৰে কৰিব বুলি ভৰষা ৰাখি মোৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

Mr. Speaker : Has the Hon'ble Member leave of the House to withdraw the Resolution ?

(Voices — Yes, Yes)

The Resolution is withdrawn.

*Shri Prabhat Narayan Choudhury : Sir, I want to move this Resolution "This Assembly recommends to the Government to move the Government of India to extend the

*Speech not corrected

Braod Gauge Railway Line from Bongaigaon to Tinsukia Via Nalbari, Rangiya, and Gauhati by converting the existing line and to extend Metre Gauge Line by the South Bank of the Brahmaputra to Goalpara."

মই প্ৰথমতে এই কথাই কব খুজিছো যে ব্ৰডগজ সম্পৰ্কৰ প্ৰস্তাৱটো আজি বহুত দিনৰ পৰা আলোচনা কৰি অহা হৈছে। অসম ৰাজ্যৰ ইটো প্ৰান্তৰ পৰা সিটো প্ৰান্তলৈ ব্ৰডগজ ৰেলৰ অভাৱৰ কাৰণে জনসাধাৰণৰ যিবিলাক অসুবিধা হৈছে সেই বিষয়ে মই অত্যুক্তি কৰিব খোজা নাই। এই কথা অসমৰ প্ৰত্যেক-জন মানুহেই জানে। অসমৰ বাহিৰে অন্যান্য ৰাজ্যত ব্ৰডগজ ৰেললাইনৰ সুবিধা আছে। অসমৰ ৰাজ্যত যেতিয়া প্ৰথম ব্ৰডগজ লাইন বঙ্গাই-গাৱঁলৈ হৈছিল তাৰ কাৰণে অসম ৰাজ্যৰ ৰাইজে বহুতো আবেদন নিবেদন ভাৰত চৰকাৰক দিবলগীয়া হৈছিল। তাৰফলত ব্ৰডগজ লাইন বঙ্গাই-গাৱঁলৈ হল কিন্তু আমাৰ ৰাজ্যত সমস্যা সমাধান নহল। কাৰণ ইয়াৰ পৰা বাহিৰলৈ যাবলৈ হলে বাৰাউনিত ৰেল বদলাব লাগে। আকৌ অসমৰ পৰা যিখন মেইল দিল্লীলৈ যায় তাতো বাৰাউনিত বদলাব লাগে।

যিবিলাক মিটাৰ গজ লাইন আছে সেইবিলাক ব্ৰডগজ লাইনলৈ ৰূপান্তৰিত কৰিব লাগে। বহুদিনৰ পৰাই আবেদন-নিবেদন হৈ থকা সত্বেও এইক্ষেত্ৰত একো কাম হোৱা নাই। সেইদৰেই গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হওঁতেও একেই অৱস্থা। ১০/১২ বছৰ ধৰি নেৰা নেপেৰাকৈ লাগি থকাৰ ফলতহে এইটো হৈছে। গতিকে ব্ৰডগজ লাইনৰ বেলি কাও এইদৰে লাগি থাকিব নোৱাৰিলে একো কাম নহব। গতিকে আমাৰ অসম চৰকাৰে অসমত থকা মিটাৰ গজ লাইন কেইটা অনতি-বিলম্বে ব্ৰডগজলৈ ৰূপান্তৰিত কৰিবৰ কাৰণে ভাৰত চৰকাৰৰ ওচৰত দাবী জনাব লাগে। সম্ভৱপৰ হলে উত্তৰ পাৰ আৰু দক্ষিণ পাৰ দুয়ো পাৰতে ব্ৰডগজ লাইন লাগে। এইটো আমি এশবাৰে স্বীকাৰ কৰা হব তিনিচুকীয়াৰ পৰা বাৰাউনিলৈ থকা এই লাইনটো ব্ৰডগজলৈ convert কৰি দিব লাগে আৰু এই প্ৰস্তাৱ আমাৰ সদনৰ সকলো সদস্য একমত হলেহে দিব পৰা যাব।

কেন্দ্ৰীয় চৰকাৰৰ ৰেলৱে মন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰ ওচৰলৈ যাওঁতে কলে যে এই ক্ষেত্ৰত জৰিপ আদি কৰি থকা হৈছে। যাতে ভাৰতবৰ্ষৰ অন্যান্য সকলো ৰাজ্যৰ লগত অসমৰ বিভিন্ন অংশৰ সংযোগ সমন্বয় স্থাপিত হয় তাৰোপৰি যদি সম্ভৱপৰ হয় তেতিয়াহলে উত্তৰৰ পৰা লক্ষীমপুৰলৈ যোৱা line টো ব্ৰডগজলৈ ৰূপান্তৰিত কৰিব লাগে। মাত্ৰ আমাৰ অলপ বুজিলোৱাৰ কাৰণে অভাৱৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে সুবিধা পাইছে। অকল এটাই নহয়; ব্ৰডগজ লাইন ২/৩টা লাগে। তিনিচুকীয়া-গুৱাহাটীৰ পৰা ৰঙিয়া হৈ যোৱা লাইনটো ব্ৰডগজলৈ convert কৰি দিবৰ কাৰণে এই সদনত প্ৰস্তাৱ লব লাগে। এই ক্ষেত্ৰত বিলম্ব কৰাৰ প্ৰয়োজন নাই। এই ক্ষেত্ৰত বোধহয় কাৰো দ্বিমত থাকিব নেলাগে। ব্ৰডগজ লাইন হোৱাৰ কাৰণে অসমৰ বাহিৰৰ জেগাৰ লগত অসমৰ সম্বন্ধ

আছে। কাৰণ হয়তো Aeroplane Service ও তেনেকৈ নাই। বানপানীৰ সময়ত যেতিয়া পথ বিচ্ছিন্ন হৈ পৰে তেতিয়া ৬/৭ দিনলৈকে যাব নোৱাৰা অৱস্থা হয়। আমাৰ স্বয়ং মুখ্যমন্ত্ৰীয়েই তেনে অসুবিধাৰ মাজত পৰিছে।

তিনিচুকিয়াৰ পৰা থকা মিটাৰ গজ লাইন বঙাইগাঁৱলৈকে সম্প্ৰসাৰিত কৰি ব্ৰডগজলৈ ৰূপান্তৰিত কৰিব লাগে যাতে যাতায়তৰ কিছু সুবিধা হয়। তাৰোপৰি অন্যান্য যিবিলাক single-line আছে তাকো যাতে মিটাৰ গজলৈ ৰূপান্তৰিত কৰিব পাৰে তাৰকাৰণে ভাৰত চৰকাৰক হিচাব দিব পৰাকৈ সদনৰ সদস্য সকলে দ্বিমত পোষণ নকৰি এটা প্ৰস্তাৱ লোৱাৰ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

ভদ্ৰেশ্বৰ গগৈ : অধ্যক্ষ মহোদয়, যাতায়তৰ উন্নতি নহ'লে দেশখনৰ উন্নতি কেতিয়াও হব নোৱাৰে অসম ৰাজ্যখনৰ যাতায়তৰ উন্নতি হোৱা নাই। সেইকাৰণে এই ৰাজ্যখন সকলো ফালৰপৰা পিচপৰি গৈছে। অসম চৰকাৰে ৰাজ্যখনৰ যাতায়তৰ উন্নতি বিশেষভাৱে মনোযোগ দিয়া নাই। যাতায়তৰ সময়ত শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী ডাঙৰীয়াই যি প্ৰস্তাৱ উত্থাপন কৰিছে, মই ব্যক্তিগতভাৱে সেই প্ৰস্তাৱটো সমৰ্থন জনাইছো। সমগ্ৰ অসমৰ ৰেল লাইনকেইটা মিটাৰ গজৰ পৰিবৰ্তে ব্ৰডগজ কৰাৰ ব্যৱস্থা চৰকাৰে তৎকালীনভাৱে লব লাগে। ৰেল লাইনৰ পৰা ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰ আৰু উত্তৰ পাৰলৈ মাননীয় সদস্যসকলে যি যুক্তি দাবি কৰিছে, মোৰ মতে, এই দুয়ো পাৰেই ব্ৰডগজ দিয়াৰ দিহা কৰিব লাগে। যিহেতু সমগ্ৰ অসমৰ বাবে যাতায়তৰ প্ৰয়োজন হৈছে। যাতায়তৰ অসুবিধাৰ কাৰণে অসমৰ জনসাধাৰণে বিভিন্ন বিষয়ত কষ্ট ভুগিবলগীয়া হৈছে। তাহানিখনত ব্ৰহ্মপুত্ৰইদি জাহাজ চলাচল কৰাৰ বাবে যিকোনো সুবিধা আছিল। সেয়া আজি নাইকীয়া হল। সেই ৰেলপথৰ উন্নতি নহলে অসম ৰাজ্যখনৰ উন্নতিত বাধা পৰিব। এই ৰেলপথৰ যোগেদিয়েই ভাৰতত অন্যান্য ৰাজ্যলৈ যাত্ৰী আৰু মাল বস্তু অনা-নিয়া কৰাত ভীষণ দুৰ্যোগ হৈছে। গতিকেই খুব সোনকালে ব্ৰডগজ ব্যৱস্থা হাতত লব লাগে।

শ্ৰীশৰৎ চন্দ্ৰ ৰাভা : অধ্যক্ষ মহোদয়, ব্ৰডগজ লাইনটো উত্তৰ কামৰূপেদি নিয়াৰ কথাকৈ মাননীয় সদস্যই অনা প্ৰস্তাৱটোৰ মই মোৰ বিৰোধিতা কৰিছো। বিৰোধীতা এই কাৰণেই কৰিছো যে মাননীয় সদস্যই এই প্ৰস্তাৱত কাৰো দ্বিমত পোষণ নকৰিবলৈ গৈছে যাতে সকলোৱে একমত হৈ এই প্ৰস্তাৱটো সমৰ্থন কৰিব পাৰে। আৰু এটা কথা যে ইতিমধ্যে আমাৰ চৰকাৰে ভাৰত চৰকাৰক ব্ৰডগজ লাইন দক্ষিণ গোৱালপাৰা হৈ দক্ষিণ কামৰূপেদি তিনিচুকিয়ালৈ যোৱাৰ স্মাৰক পত্ৰ দাখিল কৰিছে। সৌ সিদিনাখন ভাৰত চৰকাৰৰ প্ৰধানমন্ত্ৰী যোগীঘোপালৈ Paper Mill উদ্বোধন কৰিবলৈ আহোঁতে কংগ্ৰেছী দলৰ তৰফৰপৰা স্মাৰক-পত্ৰ যোগে দক্ষিণ কামৰূপেদি তিনিচুকিয়ালৈ ব্ৰডগজ লাইন যোৱাৰ কাৰণে দাবী জনোৱা সত্বেও চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধাচৰণ কৰি মাননীয় সদস্যজনে অনা এই প্ৰস্তাৱৰ যোগেদি অসমৰ ঐক্য আৰু সংহতিত বিঘিনি ঘটোৱাৰহে চেষ্টা চলাইছে। ৰেলৰ ভাল ব্যৱস্থা নথকাৰ কাৰণেই দক্ষিণ

গোৱালপাৰা পিছ পৰি আছে আৰু শিল্প প্ৰতিষ্ঠানৰ ক্ষেত্ৰত ইয়াৰ কাৰণে অসুবিধা হোৱাটো সকলোৱে স্বীকাৰ কৰা কথা। তেনে অৱস্থাতো ব্ৰডগজ লাইন উত্তৰ কামৰূপেদিও যাবলগীয়া কথাটো তেলীৰ মূৰত তেল দিয়াৰ বাহিৰে আন একো নহয়। উত্তৰ কামৰূপত অগ্ৰাধিকাৰ দিয়া কথাটো তেলীৰ মূৰত তেল দিয়াৰ নিছিনা কথা হব। তাকে কৰিলে দক্ষিণ গোৱালপাৰাক দহ বছৰ ধৰি পিছ পেলাই থোৱা হব। উত্তৰ কামৰূপেদি যিটো মিটাৰ গজ ৰেল লাইন আছে এইটো বছৰি বছৰি বাৰিষা প্ৰবল বানপানীৰ ফলত ভাঙি পৰে। বানপানীৰ সময়ত বছৰি ৩-৪বাৰ এই ৰেল লাইন ধ্বংস হৈ যায়। সমষ্ট যাত্ৰীৰ মাল-বস্তু সকলো বঙাইগাওঁ যোগীঘোপা হৈ ফেৰীৰে পাৰ কৰিহে দক্ষিণ কামৰূপেদি Upper Assam লৈ চালান দিব লগা হয়। ১-২-৩ সপ্তাহ পৰ্য্যন্ত ভীৰ দি থাকিব লগা অৱস্থা হয়। গতিকে এনেকুৱা এটা অৱস্থাত য'ত বছৰি বানপানীৰ ফলত ৰেল-লাইন ধ্বংস কৰি থাকে ফলত যান-বাহন সকলো বন্ধ হৈ থাকে—তেনে অৱস্থাত এই ব্ৰডগজ লাইন নিবলগা হলে মাত্ৰ চৰকাৰী ধনহে অপচয় কৰা হব।

বানপানীৰ কাৰণে বছৰি ৰেল-মটৰ আদি বন্ধ হৈ থাকে। গতিকে ব্ৰড্‌গজ ৰেল লাইনটো দক্ষিণপাৰে নিবলৈ মই দাবী কৰো। কাৰণ দক্ষিণ গোৱালপাৰাৰ লগত উত্তৰপাৰৰ যিটো যোগাযোগ সেইটোত বহুতো অসুবিধা আছে আৰু এই বিষয়ে মই সদনত কেইবাটাও প্ৰস্তাৱ উত্থাপন কৰি আহিছো। কিন্তু আজিলৈকে তাৰ কোনো ব্যৱস্থা চৰকাৰে কৰি দিয়া নাই।

সদনত মই প্ৰত্যেকবাৰে কৈ আছো যে দক্ষিণ গোৱালপাৰাৰ মানুহে উত্তৰ পাৰলৈ যাবলৈ হলে তিনিদিন লাগে। তিনিদিনৰ মূৰতহে টকা পইচা যথেষ্ট খৰচ কৰি তেওঁলোকে ঘৰ পায়হি। সেইকাৰণে দক্ষিণ গোৱালপাৰাৰ ফালে ৰেল লাইন সম্প্ৰসাৰণ কৰাটো নিতান্তই প্ৰয়োজনীয়। সেই ৰেল লাইন যোগী-ঘোপাইদি আহি গুৱাহাটী পাইছে। কিন্তু সেইটো দক্ষিণপাৰে পাবহে অহা কথা আছিল, কিন্তু আজিলৈকে কিয় বন্ধ হৈ আছে জনা নাগায়। সেইকাৰণে এই ব্যৱস্থাটো অগ্ৰাধিকাৰ দিব লাগে। আজি চৰকাৰে যি সিদ্ধান্ত কৰিছে সেই সিদ্ধান্ত যাতে লৰচৰ নহয় তাৰবাবে মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : মাননীয় সভাপতি মহোদয়, মই প্ৰস্তাৱটোৰ ওপৰত সমৰ্থন জনাইছো যদিও মোৰ আৰু এটা Amendment জনাবলগীয়া আছে সেইটো হল, This Assembly recommends to the Government to move the Government of India to Extend the Broad Gauge Railway Line from Bongaigaon to Tinsukia via Nalbari, Rangia, ie Jogighopa & Gauhati.

এই সম্পৰ্কত মই এইটো কথা কব বিচাৰিছো যে উত্তৰ পাৰেও ব্ৰড্‌গজ ৰেল লাইনটো Extend কৰিলে ভাল হয়। কাৰণ আমাৰ এতিয়া যিটো ৰাস্তা আছে সেইটো কালিলৈ চিঙি গলে যাতায়তৰ বহুতো অসুবিধা হব আৰু ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰাৰ কোনো পথ নাথাকিব।

আজি উদ্যোগৰ ক্ষেত্ৰত যিমান উন্নতি হ'ব লাগিছিল বা উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আমি যিবিলাক ব্যৱস্থা ল'ব লাগিছিল সেইটো যাতায়তৰ অসুবিধাৰ কাৰণে আমি পিছ পৰি আছোঁ। আনহাতে ভাৰত চৰকাৰৰ সীমামূৰীয়া ৰাজ্য হিচাপে Air Serviceৰ যি ব্যৱস্থা আছে সেইটো কলিকতাৰ বাহিৰে অন্যান্য ঠাইৰ লগত অসমৰ কোনো সংযোগৰ ব্যৱস্থা নাই। তিনি বছৰৰ আগতেও সদনত এটা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যে এই Air ঘাটি বিলাক Inter National Standardলৈ আনিব লাগে; কিন্তু ইয়ানকৈ কোৱা সত্বেও তাৰ কোনো ব্যৱস্থা নহল। দুবছৰৰ আগতে মই দিল্লীলৈ যাওঁতে ৰেলমন্ত্ৰী শ্ৰীকৰ্ম সিংএ কৈছিল যে এই প্ৰস্তাৱ কেইটা কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ ফালৰ পৰা কোনো ব্যৱস্থাই হাতত লোৱা নাই। গতিকে কোনো এটা প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ লগত Ministry Level অথবা Sectt. Levelত যিটো কৰিব লাগিছিল সেইটো কৰা নাই; আনকি এটা শব্দও লিখা নাই। ইয়াৰ আগতেও অসম চৰকাৰৰ পৰা কোনো proposal পঠোৱা হোৱা নাই। সেই সময়ত আমাৰ স্বৰ্গীয় চলিহা ডাঙৰীয়াই জীৱিত থকা অৱস্থাতে আমি কৈছিলো যে অসম চৰকাৰে প্ৰস্তাৱ গ্ৰহণ কৰা সত্বেও কেন্দ্ৰীয় চৰকাৰে সেই প্ৰস্তাৱ গ্ৰহণ কৰা নাই আৰু কেন্দ্ৰীয় চৰকাৰে কয় আমি প্ৰস্তাৱকে পোৱা নাই। গতিকে আমাৰ যোগাযোগৰ যিটো ব্যৱস্থা সেইবিলাক তেওঁলোকে পোৱাই নাই। আনহাতে Booking Planeত লাখ লাখ টকা খৰচ কৰিছে। কিন্তু আমাৰ বিমান সংযোগৰ ব্যৱস্থাৰ কোনো উন্নতি হোৱা নাই। আমাৰ ইয়ালৈ ডাঙৰ ডাঙৰ আকাশীজাহাজ নাহে। ইয়াৰ দ্বাৰাই অনুমান কৰিব পাৰি যে আমাৰ উন্নতি হোৱা নাই। গতিকে আমাৰ যাতায়তৰ অৱস্থা কি হ'ব? আজি আমাৰ পাকিস্তানৰ লগত চলাচলৰ যিটো সংযোগ আছিল সেইটো ১৯৬৫ চনৰ পৰা নোহোৱা হৈছে।

আজি আমাৰ ৰাজ্যত যিবিলাক উদ্যোগ প্ৰতিষ্ঠা কৰিছে সেইবিলাকৰ উৎপন্ন হোৱা বস্তুবিলাক বাহিৰলৈ পঠিয়াবৰ কাৰণে কোনো সুবিধা নাই। কলিকতাৰ ওচৰত আমি এটা ডাঙৰ বজাৰ পাইছিলো। কিন্তু তালৈকে সকলো বস্তু পঠাবৰ বাবে কোনো সুবিধা নাই। আনহাতে আমাৰ যিটো মিটাৰ গজ ৰেল লাইন আছে তাৰদ্বাৰা ভাৰতৰ অন্যান্য ঠাইৰ লগত আমদানি ৰপ্তানি কৰাত বহুতো অসুবিধা। সেই কাৰণে মই কৈছো যে ভাৰত চৰকাৰৰ সকলো ৰাজ্যতকৈ অসমত Cost of Living বেছি, সেই কাৰণে আমাৰ জনসাধাৰণে বাহিৰৰ পৰা অহা বস্তুবিলাকৰ ১০/১৫/৫০ ভাগ পৰ্য্যন্ত Tax ভৰিব লাগে। গতিকে এই সম্পৰ্কত আমাৰ বৰ্তমান যিটো অৱস্থা সেই অৱস্থালৈ লক্ষ্য ৰাখি আৰু প্ৰতিৰক্ষা ফালৰ পৰাও যিটো গুৰুত্ব আৰোপ কৰিব লাগিছিল সেইটো কৰা নাই। এইক্ষেত্ৰত মই কব বিচাৰিছো আমাৰ অসম চৰকাৰে যিমানখিনি গুৰুত্ব উপলব্ধি কৰিব লাগিছিল সিমানখিনি কৰা হোৱা নাই। মই আমাৰ পৰিবহন মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক কওঁ যে তেখেতসকলে এই সম্পৰ্কত যিটো মতামত অতি সোনকালে ভাৰত চৰকাৰৰ আগত ডাঙি ধৰিব লাগিছিল সেইটো ডাঙি ধৰা হোৱা নাই আৰু এই অৱস্থাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰক ভালদৰে বুজাই দিব লাগে।

তাৰোপৰি উত্তৰ পাৰে নেফা পৰ্যন্ত পৰিবহণৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত Air Service পৰিবহণ নিগম উন্নত কৰিবৰ বাবে তেখেত্ৰ সকলৰ দাবী নাই নেকি ?

যদি ভাৱে তেন্তে বৰ্ত্তমানে যিটো উত্থাপন কৰা হৈছে তেনেধৰণৰ প্ৰস্তাৱ ইতিমধ্যেই বিধান সভাত গ্ৰহণ কৰিছে। তাৰ কাৰ্য্যকৰী ব্যৱস্থা আজিলৈকে কি কৰিছে ? কিছুমান বছৰ ধৰি অসমৰ বাইজে আপত্তি কৰি অহা সত্বেও আজিলৈকে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা ব্ৰডগজ লাইন আদায় কৰিব পাৰিছেনে ? যদি পৰা নাই তেন্তে এই সুদীৰ্ঘ ২৫ বছৰৰ মূৰতো এই অঞ্চল বিলাক এনেধৰণেৰে থাকিবনে ? আজি ভাৰতৰ লগত অসমৰ যাতায়তৰ ব্যৱস্থা ভালদৰে কৰিব লাগে। অসম ভাৰতৰে এখন ৰাজ্য হিচাপে বৰ্ত্তমান যিটো সংযোগ ব্যৱস্থা সি যিকোনো সময়তে বিচ্ছিন্ন হৈ যাব পাৰে। অসমৰ এই জৰুৰী দাবীটো অসম চৰকাৰৰ কালৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ ওপৰত হেঁচা দি এই দাবী পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। আজি চৰকাৰক জনাব বিচাৰিছো যে এই চৰকাৰৰ দুৰ্ব্বল নেতৃত্বৰ ফলত আমি পাৰম্পৰীয়া বস্তুখিনিৰ পৰাও বঞ্চিত হৈ আছোঁ। এই যাতায়তৰ সংযোগৰ অভাৱতে আমাৰ মিজো ভাইসকলে সদায় অজৰ আপত্তি কৰি আছে। কাছাৰৰ লগত আমাৰ সংযোগ ব্যৱস্থা সেই পুৰণি কলীয়া এটা সুৰঙ্গৰ মাজেদিয়েই চলি আছে। আজিও সেইটোকে ৰাখি চৰকাৰ সন্তুষ্ট হৈ বহি আছে। আমাৰ জেগাৰ উন্নতি সামাজিক আৰু অৰ্থ-নৈতিক অৱস্থাৰ উন্নতি কৰিবলৈ চৰকাৰে কোনো পৰিবহনৰ সু-ব্যৱস্থা আজিলৈকে কৰিব পৰা নাই। ইতিমধ্যে চৰকাৰে কাছাৰত এটা gute Mill, এটা Paper Mill কৰিবলৈ মনস্থ কৰিছে। কিন্তু আজি পৰিবহণৰ ব্যৱস্থা একমাত্ৰ শ্ৰিলং-বদৰপুৰ ৰাস্তাৰ বাহিৰে কাছাৰৰ লগত অসমৰ বাকী অংশৰ কোনো সংযোগেই নাই। ৰেল সংযোগো মাজে মাজে বিচ্ছিন্ন হৈ যায়। আজি কাছাৰৰ ৰাইজৰ, অসমৰ ৰাইজৰ লগত সামাজিক কৃষ্টি কলাৰ আদান প্ৰদান ৰাখিবলৈ চৰকাৰে ব্যৱস্থা ৰাখিব লাগিব। তাকে কৰিবলৈ আমাৰ চৰকাৰে বিচাৰে নেকি ?

আজি যাতায়তৰ সংযোগৰ অভাৱৰ কাৰণে এঠাইৰ মানুহ আন ঠাইৰ মানুহৰ লগত বেলেগে বেলেগে থাকিব লগা হৈছে। বৰ্ত্তমান যুগত অকল ৰেল সংযোগেই নহয় সম্ভৱস্থলত জল-সংযোগ আৰু স্থল-সংযোগৰো ব্যৱস্থা হব লাগে। বৰ্ত্তমানে দেশৰ যিটো পৰিস্থিতি যেনে—আজি বাংলাদেশৰ পৰিস্থিতিৰ যি উদ্ভৱ হৈছে কোনে জানে কালিলৈ কি হব পাৰে। গতিকে প্ৰতিৰক্ষাৰ ক্ষেত্ৰতো সকলো-প্ৰকাৰৰ যাতায়তৰ সুবিধা থকাটো বাঞ্চনীয়। আমাৰ প্ৰত্যেক অংশৰ লগত যদি সংযোগ নেথাকে নাইবা আমাৰ ভাৰতবৰ্ষৰ লগত যদি সংযোগ নেথাকে তেন্তে আমাৰ অৱস্থা কি হব আপুনি ভাবি চাওক। সেই কাৰণেই মই জোৰেৰে কৈছো যে এই প্ৰস্তাৱটো সংশোধনি আকাৰে হলেও গ্ৰহণ কৰিব লাগে। অকল সেয়ে নহয় যাতে এই প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰে কাৰ্য্যকৰী কৰে তাৰো ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ মই সামৰিলোঁ।

শ্রীলক্ষ্যধৰ চৌধুৰী ঃ সভাপতি মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰীয়ে বহল দৃষ্টিভঙ্গীৰে ব্ৰডগেজ লাইনৰ ক্ষেত্ৰত যি প্ৰস্তাৱ আনিছে মইও তাৰ সমৰ্থনতে দুআষাৰমান কওঁ যে অকল গুৱাহাটীলৈ অহাৰ কথা নকওঁ — যোগীঘোপা গোৱালপাৰা হৈ যাতে তিনিচুকিয়ালৈ সম্প্ৰসাৰণ কৰিলে আৰু ভাল হয় আৰু বঙিয়াৰ পৰা উত্তৰলক্ষীমপুৰলৈ সম্প্ৰসাৰণ কৰিলে ভাল হয়। এই সন্দৰ্ভত মোৰ এটা কথা মনত প.ৰ যে মালিগাৱঁত বেলৱে Head Quarter পাতিবৰ সময়ত ফিৰোজ গান্ধীয়ে কৈছিল যে, ভঙাচিঙা টুকুৰা বেছি হৈছে নেকি যে অসমতো এনেকুৱা এটা ব্যৱস্থা কৰিবলৈ লৈছে। যদি অসমৰ বাহিৰৰ মানুহে অসমতো ব্ৰডগজ লাইন পাতিবলৈ ইমান চেষ্টা কৰিব লাগে নে? আমি সাগৰৰ পাৰত নেথাকো; গতিকে আমাৰ জল-পথৰ ব্যৱস্থা নাই। গতিকে অসমত বেল লাইন আৰু Air Serviceৰ ওপৰতে নিৰ্ভৰ কৰিব লাগে। পিছে এতিয়া বোলে 703 চলিছে। সেইটো কেতিয়াবা আহে। আৰু কেতিয়াবা আ.হ নে নাহে তাৰ কোনো ঠিক নাই। এইটো নম্বৰ পিছে আমাৰ তীৰ খেলৰ নম্বৰৰ দৰেই। আপুনি কিন্তু ঠিকমতে ধৰিব লাগিব তেতিয়াহে পাব। (হাঁহি)

মই জানিবা গুৱাহাটীৰ City Air officeৰ কথাকে কওঁ। বৰ্ত্তমান যিটো City Office সেইটো বোধকৰো আমি Schoolত পঢ়াৰ দিনৰেই। তাত মন্ত্ৰী-সকলৰ বহিবৰ ঠাই নাই। মন্ত্ৰীয়ে যেতিয়া ticket কিনিবলৈ যায় তেতিয়া ticketও নেপায়। অন্য ঠাইৰ পৰা অহা মানুহৰ উপদ্ৰৱত আমি তাত ticket কিনিবই নোৱাৰো। গতিকে ভাৰতত Air Service থকা বুলি আমি কবই নোৱাৰো। কলিকতাৰ পৰা একদিন হয়তো ৭খন plan আছে। কিন্তু কেতিয়াবা অ.কৌ এখ না নাহে। দ্বিতীয় মহাযুদ্ধৰ সময়তে সজা আমাৰ aerodrome টো। তাৰ Ran 10' way ৰ ব্যৱস্থা নাই। 737 আমাৰ ইয়াত নপৰে। পৰিব নোৱাৰে। আমি টো উঠিবলৈ নিবিছাৰো মাত্ৰ পাবলৈহে বিছাৰো কেনেকুৱানো। আমাৰ লৰা-ছোৱালী উঠিব দূৰত থাওক দেখাকে নেপায়। ইয়ালৈ চলা air serviceৰ অৱস্থা এনেহে যে আমাৰ মুখ্যমন্ত্ৰীয়ে planৰ অভাৱত কলিকতাত intein হৈ আছিল আৰু আমি উদ্ধাৰ কৰিবলৈ যাব লাগে। গতিকে এই পৰিবহণ ব্যৱস্থাটো সংস্কাৰ কৰাৰ কাৰণে আমাৰ চৰকাৰৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা দিব লাগে। এতিয়া আপোনালোকৰ তিনিজনকৈ কেন্দ্ৰীয় মন্ত্ৰী হল। তেওঁলোকেও ঘ.ই আহ-যাহ কৰিবলৈকেই বৰ জৰুৰী হৈ পৰিছে। শ্ৰীমতী ইন্দিৰা গান্ধীয়ে গান্ধী মণ্ডপ মুকলি কৰিবলৈ আহি আমাৰ ইয়াত নামিবই নোৱাৰিলে। যেনিবা অলপ ঘূৰি পকি নামিল। কিন্তু আমাৰটো সেই ব্যৱস্থা নাই। ticket আজিকালি ফাঁচি বজাৰৰ পৰা কিনিব লাগে। পাণ বজাৰত ধোনেৰে কৰে ticket নিদিয়েই। গুৱাহাটীৰ পৰা ডিব্ৰুগড়ত থকা শহুৰেকৰ বেমাৰ হলেও যাব নোৱাৰি। এয়ে হল আমাৰ অৱস্থা। এই প্ৰাক্ ঐতিহাসিক যুগৰে পৰা চলি অহা গুৱাহাটীৰ City Officeটো একেটা স্তৰতে আছে। তাত ভদ্ৰলোক বা ভদ্ৰমহিলা বহিব নোৱাৰে। এই ঘৰটো কেতিয়াবাই ভাঙি নতুন কৰিব লাগিছিল। তাৰ depreciated value বৰ্ত্তমান Nill আমাৰ City Office কিন্তু তাতে। মই কওঁ যে Air

Service টোৱে আমাৰ ল'ৰা-ছোৱালীক attract কৰিব নোৱাৰে। City Office-টো আহল-বহল আৰু মনোমোহা হ'ব লাগে। International travel ৰ কাৰণে ইয়াত ticket কিনাৰ ব্যৱস্থা কৰিব লাগে।

এতেকে City Office ৰ instrument আৰু Agency System ভাগ কৰা আৰু Air Office ৰ পৰা দৈনিক আহিব পৰা সুবিধা কৰিব লাগে। আৰু without Notice যাতে কোনো কৰ্ম্মীয়ে আন্দোলন কৰিব নোৱাৰে তাৰ এটা ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ মই প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীসোনেশ্বৰ বৰা: মাননীয় চেয়াৰমেন মহোদয়, এই যে Bongaigaon ৰ পৰা তিনিচুকীয়ালৈ Broad Gauge Line দিবৰ বাবে যি প্ৰস্তাৱ আহিছে তাক মই নীতিগতভাৱে সমৰ্থন কৰিছো। অৱশ্যে এজন সদস্য ৰাভা ডাঙৰীয়াই যিটো উত্তৰ বা দক্ষিণ ফালে নিয়াৰ বিৰোধৰ কথা কৈছে সেই বিষয়ে দুয়ো পাৰেই হওক তাত আমাৰ আপত্তি নাই। আমাক Broad Gauge চখ কৰিবলৈ নালাগে। উজনী অসমৰ পৰাই Vaneste কাঠ শতকৰা ৫ ভাগ যায় আৰু ভাৰতবৰ্ষৰ মাজৰ শতকৰা ৫৬ ভাগ উজনী অসমৰ পৰাই যায়। অৱশ্যে আগতে কলিকতাত নীলাম বজাৰ থাকোতে পৰিবহণৰ যিটো অসুবিধা আছিল এতিয়া সেইটো বহু পৰিমাণে কমিছে কিন্তু যোৰহাটৰ পৰা বা কলিকতালৈ Truchত যাওতে যিমান খৰচ লাগে Dibrugarh ৰ পৰা কলিকতালৈ Railway ৰে যাওতে তাৰ ¾ ভাগহে খৰচ হয় কিন্তু পৰিবহণ সু-ব্যৱস্থা নথকাৰ কাৰণে অসমৰ চাহৰ দাম বাঢ়ি যায় আৰু জাভা আৰু সুমাত্ৰা সিংহলৰ চাহৰ লগত ফেৰ মাৰিব নোৱাৰা হয় আৰু আন্তৰ্জাতিক বজাৰত চাহৰ উপযুক্ত মূল্য নাপাওঁ। এইকাৰণেই অসমত চাহৰ উৎপাদন কমি গৈছে। তদুপৰি পৰিবহণৰ খৰচ বেছি হোৱাৰ কাৰণে অসমৰ জনসাধাৰণে উচিত মূল্যত বস্তু নাপায় সেইকাৰণে বিহাৰৰ পৰা অহা মাহ ডাইল ইত্যাদিৰ উৎপাদনৰ ঠাইত যি দাম তাতকৈ বহু বেছি দাম অসমৰ বাইজে দিব লাগে। আৰু Bombay ৰ পৰা অহা কানি-কাপোৰ ইত্যাদি সকলোতে অসমৰ বাইজে বেছি দাম দি পিন্ধিবলগীয়া হয়।

ৰঙ্গাপাৰাৰ পৰা মাককচেংগেদি যি ৰাস্তা আছে তাৰ বাহিৰে স্বাধীনতাৰ ২৪ বছৰৰ ভিতৰত আজিলৈকে ১ইঞ্চি ৰাস্তাও নতুনকৈ হোৱা নাই। এই অৱস্থাত Dibrugarh ৰ পৰা গুৱাহাটীলৈ আহোঁতে ২৪ ঘণ্টা লাগে। এই ধৰণৰ পৰিবহণ ব্যৱস্থা অসমৰ ৰাইজে কামনা নকৰে। মই দুখ পাইছোঁ যে অসমৰ নেতাসকল কেন্দ্ৰীয় চৰকাৰৰ ওচৰত কিয় পৰাভূত হৈ থাকিব লাগে? মই বুজি নাপাওঁ। Bongaigaon ৰ পৰা তিনিচুকিয়ালৈ Broad Gage line আনিবলৈ হলে পঞ্চৰত্ন আৰু যোগীঘোপাৰ মাজত এখন আৰু শিলঘাট ভোমোৰাগুৰীৰ মাজত আন এখন দলং নিৰ্মাণ কৰাৰ কাৰণে আজি বহুদিনৰ পৰাই দাবী কৰি থকা হৈছে। তদুপৰি এনেধৰণৰ কামৰ পৰাও আমাৰ পৰিবহণ ব্যৱস্থাৰ আমোল পৰিবৰ্ত্তনৰ প্ৰয়োজন হৈ পৰিছিল। তদুপৰি আজি অসমৰ Railway ইমান মন্থৰ গতিত চলে যে গৰুগাড়ীৰ নিচিনা অথচ আইন বাজ্যই স্বাধীনতাৰ পিছত বহুখিনি আগবাঢ়ি গৈছে।

১৯৬২ চনৰ চীনা আক্ৰমণৰ সময়ত পৰিবহণৰ সুব্যৱস্থা নথকাৰ কাৰণে কি অৱস্থাৰ সন্মুখীন হবলগা হৈছিল তাৰ প্ৰমাণ আমি পাইছোঁ। Tuskar নামৰ এটা Company য়ে বোলে সীমান্তলৈ ৰাস্তা নিৰ্ম্মাণ কৰিছিল কিন্তু আমাৰ প্ৰতিৰক্ষাৰ Commender য়ে চীনৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ Map fllow কৰি যাওতে কোনো ৰাস্তা নাপালে অথচ ১৯১০ চনৰ Mac Mohan Line ৰ সীমাই নাইকীয়া হৈ গল এইধৰণৰ দুৰ্যোগ আকৌ আহিবৰ বেছি দিন নাই।

শ্ৰীসোনেশ্বৰ বৰা : আমাৰ অভাৱ অভিযোগবিলাক দূৰ কৰিবৰ কাৰণে এই চৰকাৰে সক্ষম হোৱা নাই। বাহিৰৰ পৰা শিল্পপতিসকলে অসমত মাত্ৰ বাণিজ্যহে কৰিবলৈ আহে, শিল্প প্ৰতিষ্ঠা কৰিব নোখোজে। আজি অসমৰ নিৰাপত্তা নাই-কীয়া হৈছে। অসমক বিদেশী ৰাষ্ট্ৰসমূহৰ কবলৰ পৰা উদ্ধাৰ কৰিব পাৰিবনে নোৱাৰে সন্দেহ। আজি অসমত উৎপন্ন হোৱা বস্তু বাহিৰত বেচিব নোৱাৰে। আনহাতে বাহিৰৰ বস্তুবিলাক অসমৰ জনসাধাৰণে বেছি দাম দি কিনিব লগা হয়। গতিকে অসমৰ পৰিবহণ ব্যৱস্থা উন্নত কৰিবলৈ আমাৰ চৰকাৰে দাবী চলাই থকাৰ কথা আহি পৰিছে। এইখিনিকে কৈ মই প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীবিনয় কৃষ্ণ ঘোষ : Chairman ডাঙৰীয়া, ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ লগত অসমক সংযোগ কৰি ৰাখিবলৈ অসমৰ মিটাৰগজ লাইনবিলাক চিৰস্থায়ী নহয়। প্ৰতিবছৰে কেতিয়াবা ১০-১৫ দিন বানপানীত ক্ষতিগ্ৰস্থ হৈ ৰেল চলাচল বন্ধ হৈ থাকে। গতিকে এতিয়াও আমাৰ ৰেলৰ মিটাৰগজ লাইনবিলাক উন্নত কৰিব পৰা নাই। ইয়াৰ কাৰণ হল যে হিমালয়ৰ নামনিত মানাহ, বেকি আদি কৰি কিছুমান খৰস্ৰোতা নদী আছে। এইবিলাকক control কৰাটো কষ্টসাধ্য আৰু বেছি খৰচ হয় শিলঘাটৰ দলং কৰা সম্পৰ্কত ৰেলৰে বিভাগৰ মানুহে Survey কৰি গৈছে আৰু Survey ৰ Report ত কৈছে যে, পাণ্ডুৰ দলংখন যদি আমিনগাৱঁত নহৈ পঞ্চৰত্ন আৰু যোগীঘোপা হলহেতেন তেতিয়াহলে বহুতো খৰছ কমিলহেঁতেন। গতিকে কম খৰছত কৰিবলৈ হলে পঞ্চৰত্নত দলং-খন হব লাগে আৰু মিটাৰগজ লাইন উন্নত হব লাগে। সেই সময়ত শ্ৰীবিষ্ণু মেধি মুখ্যমন্ত্ৰী হৈ থাকোঁতে আমিনগাৱঁত দলং বন্ধা হল ; কিন্তু যোগীঘোপাত বন্ধা নহল।

বৃটিছৰ দিনত যেতিয়া গোটেই পৃথিৱীত দ্বিতীয় মহাযুদ্ধ হৈছিল তেতিয়া বৃটিছ চৰকাৰে পঞ্চৰত্নত দলঙৰ কাম আৰম্ভ কৰিছিল। কিন্তু হঠাৎ যুদ্ধ থামি গল আৰু দলঙৰ কামো বন্ধ হল। যেতিয়া আকৌ চীনা আক্ৰমণ হল তেতিয়া Alternative Road দিবৰ কাৰণ যোগীঘোপালৈ ব্ৰডগজ লাইন আনিবৰ কাৰণে ভাৰত চৰকাৰেও এটা প্ৰস্তাৱ কৰিছিল। গতিকে আকৌ যদি চীনা আক্ৰমণ হয় আৰু তেজপুৰ, ৰঙিয়া আদিত বন্ধ কৰি ৰাখে তেনেহলে আমাৰ কাৰণে Alternative হিচাপে পঞ্চৰত্ন আৰু যোগীঘোপাত এখন দলং হব লাগে আৰু যোগীঘোপাত এখন দলং হব লাগে আৰু এই ব্ৰডগজ লাইনটো গুৱাহাটীৰ লগত সংযোগ কৰি তিনিচুকীয়ালৈকে সম্প্ৰসাৰণ কৰিব লাগে। গোৱালপাৰাৰ

দক্ষিণ পাৰেদি যদি এই লাইনটো নিয়া হয়, তেন্তে গোৱালপাৰা আৰু গাৰো-পাহাৰৰ যথেষ্ট ঠাইৰ উন্নতি সাধন কৰা হব। গতিকে এই Economic বৈষম্য দূৰ কৰি সমগ্ৰ অসমৰ কাৰণে চিন্তা কৰি পঞ্চৰত্ন আৰু যোগীঘোপাত দলং হব লাগে আৰু ব্ৰডগজ লাইনটো গুৱাহাটীলৈ Extend কৰিব লাগে। তাৰপৰা তিনিচুকীয়ালৈ নিব লাগে।

তাৰ পাছত বঙাইগাৱঁত ব্ৰডগজ লাইন হোৱাত আমাৰ আপত্তি নাই কিন্তু গোৱালপাৰাৰ দক্ষিণ পাৰতো হব লাগে। কাৰণ বঙাইগাৱঁৰ পৰা গোৱাল-পাৰালৈ বস্তু আনিবলগীয়া হয় আৰু যিটো বস্তুৰ দাম বঙাইগাৱঁত-১ টকা হয় সেইটো গোৱালপাৰাত ২-৩ টকা। যিহেতুকে বঙাইগাৱঁৰ পৰা গোৱাল-পাৰালৈ বস্তু আনোতে ব্ৰহ্মপুত্ৰ পাৰ কৰিবলগীয়া হয়। গতিকে Auto Agency গোৱালপাৰাত হব লাগে। গতিকে মই Calculation কৰি দেখিছো যে যদি গোৱালপাৰাৰ দক্ষিণফালে ৰেললাইন হয়, তেন্তে গোৱালপাৰাত বস্তুৰ দাম কিছু কমিব আৰু গোৱালপাৰাৰ ৰাইজেও দুৰ্যোগ ভুগিব নালাগে।

তাৰ পাছত সকলোৱে জানে যে গোৱালপাৰাৰ পৰা বহুতো বস্তু গুৱাহাটী আৰু গাৰোপাহাৰৰ তুৰালৈ যায়। গতিকে এইক্ষেত্ৰত গোৱালপাৰা Comer-cial place হৈ থাকিব।

গতিকে মই সমগ্ৰ কথা চিন্তা কৰি কৈছো যে চৰকাৰে এইক্ষেত্ৰত বিশেষ ভাৱে মনোযোগ দিব আৰু যাতে পঞ্চৰত্ন-যোগীঘোপাত দলংখন বান্ধি ৰাইজৰ উন্নতি কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

Shri Phani Bora : Mr. Chairman, Sri, the days of metre gauge railway line is over. As a matter of fact metre gauge lines are replaced by broad gauge lines everywhere. This is out-moded from that point of view and also from the point of view of development of communication. From that point of view Assam need a broad gauge railway line crossing through the whole state. Now, the central government very often advance the argument that because there is no load capacity, that is there is no demand, not from the people, but from the point of view of goods available for carr-ing and from the point of view of economy, the state of Assam does not require a broad gause railway line. But out point is that our Assam remains backward and it has no abundance of production, because of the fact that the railway communication or as a matter of fact all the communications are very poor in the state. Now if the communications develop-economy develops and along with the development of economy the necessity of or economic of the railway line also will be met.

As a matter of fact we know Sir, that the oil refinery which was techniecically and from experts points of view were to be situated near the oil field. But one of the main reason for which oil refinery was not established near the oil field. So the lack of communication, lack of a broad gauge railway line to carry heavy machinary and heavy materials to Upper Assam is main hindrance. Now it prove that the lack of a broad gauge railway line across the State of Assam upto the Upper Assam, to the farthest corner of the State of Assam we are not having certain industries in these places. So we can very well come to the conclusion that because of the lack of proper communication, lack of broad gauge railway line capable of carrying heavy materiale and machineries major portion of the state of Assam is deprived of having the various developmental projects.

I have mentioned it when I was discussing about the establishment of the second oil refinery and petro chemical complex. So, the various other questions and some more erguments may be put forward but that will also make it make important why the governmet of Assam shou'd try its level beat to establish and force the Government of India to crect a broad gauge raliway line across the state of Assam. Now, the resolution moved by my honourable friend Shri Choudhry in that the present metere gauge line should be converted into a broad gauge railway line. On principle I have no objection. But if it is a question of having an alternative railway line and which according to me is more important. Because we have to maintain the existing raliway line plus a broad gauge railway which should be the alternate railway line in the state. In this respect I also want to the House that Assam and not only Assam, Meghalaya, Nagaland Monipur, Tripura and N.E.F.A. areas I mean the entire eastern region is dependent on this. To run the admini stration independently it is a necessity. And if they want to run the administration properly there should be a self contained.

There may be some development in these areas when

the whole of this regions may require to stand on its own legs. And from that points of view the development of the railway communication which is the main communication line in the state should be strengthened. Here I would agree that the broad gauge railway line which come upto Jogighopa should be extended upto Gauhati through South Goalpara and it should be given the prefcrence. And if this is done then it becomes an alternative railway line and it will help the development of this backward pockets of South Goalpara and South Kamrup. If we say that the existing meter gauge railway line is to be converted into broad gauge railway line that does not mean that it only fulfils the demands of the south Goalpara and South Kamrup people.

That in very essential. I am not opposed to it in the existing circumstances we are to give preference then we are give preference to broad gauge railway line from Jogighopa to Chaparmukh and then touching Jorhat it should be extended upto Dibrugarh that will be the best for the future development of the state. Of course various development have taken place by the site of the existing metre gauge railway line. But then we must remember that this metre gauge line was not constructed by the British Government not for the development of the state as a whole rather it was done only to provide facilities for carrying tea only. New the Brahmaputra valley which is the heart of the State of Assam has been neglected in respect of railway communication. Our line of approach should be to impress upon the Government of India about this. In this connection I would also like to say a few words about other means of communication. Many hon'ble members have raised the question of air transport. I would ask our Chief Minister and also the Government as a whole to take up the question of Direct Air communication between Assam and New Delhi. It is very essential.

Particularly it is essential because very often we go for tickets to go to Delhi to attend various meetings and we

are to wait there for tickets indefinitely. Not only the Ministers of the Government of Assam, not only the officers of the Government of Assam but also Ministers and officers of the Meghalays, Ministers and officers of Nagaland, Ministers and officers of Manipur, and Tripura all of us have to wait there for tickets. It is not a small gathering, it is a big contingent. Always we are stranded in Calcutta and cannot proceed to Delhi in time for want of sufficient number of seats. It is most impractical and an unnecessary trouble we are to undertake by staying a day at Calcutta and then proceed to Delhi. It is also necessary have to mention that not only the civil officers but also the military personal travel by air from Gauhati to Delhi and to all of then it is a troublesome affair.

We find very often that the military administration also contains a large contingent of officers who are to travel between Gauhati and Delhi. Therefore from the point of view of quick transport between Delhi and Assam and as a matter of fact the whole region, the Chief Minister and the Minister, Comunication should take it up with the Government of India. Various friends have said that the Boeing 737 can not land at Gauhati airport but I can say that even in a smaller airport this kind of aircraft can land. This kind aircraft can land. This kind of aircraft have a mechanism and it immediately can stop after landing and it need not run as long as the other jet planes. There fore big planes can land and so the State Government should take it up with the Government of India in this respect. I have already written to some of the Ministers of the Government of India in this respect but our writing is not very important of the Government of Assam and other Governments together try then it can definitely arrange to get this kind of planes. Therefore I would request the mover of the resolution to amend the resolution in such a way that it can be an unanimous resolution of the House.

*শ্ৰী জালালুদ্দিন আহমেদ : মাননীয়, সভাপতি মহোদয়, শ্ৰীচৌধুৰীদেৱে railwayৰ ব্ৰডগজ লাইন সম্পৰ্কে যিটো প্ৰস্তাৱ আনিছে সেইটো সমৰ্থন কৰি কবলৈ বিচাৰিছো,

বঙাইগাওঁক আৰম্ভ কৰি তিনিচুকীয়াৰ পৰা যোগীঘোপাৰ দক্ষিণপাৰেদি গুৱাহাটী ব্ৰডগজ লাইনৰ expenditure মঞ্জুৰী এটা হব লাগে এই বিষয়ে কব খুজিছো। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত সকলোতে উপযুক্ত অনুসৰি railway line আছে। কিন্তু আমাৰ অসমত যি ঠাইত দৰকাৰ সেই ঠাইত নাই। গতিকে মই কব বিচাৰিছো যোগীঘোপাত Paper Mill হব। যদিও raw materials ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে যথেষ্ট পৰিমাণে নাই। এই raw materials বিলাক মেঘালয় State ত যথেষ্ট পোৱা যায়, গতিকে Broad gauge line যোৱা দৰ্কাৰ আৰু তেতিয়াহি ব্ৰহ্মপুত্ৰৰ দলংখনো হৈ যাব। গতিকে ইয়াত Broad gauge line হলে ভাল হয়। আমাৰ ইয়াত দেখা গৈছে Factory goods production, mechinary goods ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ শতকৰা ৯০-৯৯ ভাগ আমাৰ ইয়াত উৎপাদন নহয়। গতিকে মোৰ দৃষ্টিকোণৰ পৰা Railway Broad Gauge Line অত্যন্ত দৰ্কাৰ। আমাৰ অসমত যিটো ৰেলৰ লাইন আছে সেই ৰেল বিলাকত মিলিটাৰীবিলাকে ভৰ্ত্তি হৈ যায়। তাত Passengers বিলাক যাবলৈকে কম সুবিধা পায়। এই দৃষ্টিকোণৰ পৰা Railway Broad Gauge Line অত্যন্ত প্ৰয়োজনীয়। দেখা গৈছে যে ভাৰতবৰ্ষৰ ভিতৰত Jute অসম পশ্চিমবঙ্গতহে অলপ হয়। কিন্তু ভাৰতবৰ্ষৰ ভিতৰত বেছি হয়। বৰ্ত্তমান এই-বিলাক Consume হয় কলিকতাৰ মিলবিলাকত। গতিকে এইবিলাক ৰপ্তানী কৰিবলৈ হলে Railway Broad Gauge Line অত্যন্ত দৰ্কাৰ। অসমলৈ বা অসমৰ পৰা easy carriage দিবলৈ হলে Broad gauge line একান্ত দৰ্কাৰ। ১৯৬৫ চনৰ Indo Park Conflict ৰ পৰাই Steamer বন্ধ হৈ পৰে। দেখা গৈছে যে ৰাস্তা নথকাৰ কাৰণেই বৰ বিপদ হৈছে। সেই বস্তুবিলাক Carry কৰিবলৈ Broadgauge line একান্ত প্ৰয়োজন। দক্ষিণপাৰে Broad Gauge Line হলে মেঘালয় ৰাজ্যও উপকৃত হব আৰু অসম ৰাজ্যও উপকৃত হব। এই দৃষ্টিকোণৰ পৰা দক্ষিণপাৰেৰে Broad gauge Railway Line একান্ত প্ৰয়োজন। মই আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক টানি অনুৰোধ কৰো যেন দিল্লীৰ চৰকাৰক জোৰ দিয়ে। এইখিনিতে মই শ্ৰীচৌধুৰী ডাঙৰীয়াক প্ৰস্তাৱটো দিলো।

*শ্ৰীভুবনেশ্বৰ বৰ্মণ : সভাপতি মহোদয়, মই কও যে Broadgauge Lineটো অকল দক্ষিণপাৰেদিয়েই নহয় উত্তৰপাৰৰ ঠাইবোৰো সংযোগ কৰিব লাগে। শ্ৰীচৌধুৰীদেৱৰ প্ৰস্তাৱটো সমৰ্থন কৰি মই দুই-তিনিটি উদাহৰণ দি দুআষাৰ কব খুজিছো। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত বিশেষকৈ যাতায়তৰ ক্ষেত্ৰত যিবিলাক Broad-gauge Line হৈছে সেইবিলাক দেখি অসমলৈ আহি যেতিয়া চোৱা হয় তেতিয়া সঁচাকৈয়ে বৰ বেয়া লাগি যায়। আজি যি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত বিশেষকৈ কলিকতাৰ পৰা সংযোগৰ বিষয়ে — উন্নত নোহোৱাৰ ফলত আমাৰ উদ্যোগৰ ক্ষেত্ৰত একো আগবঢ়াব পৰা নাই। যিহেতু আমাৰ অসমৰ এই Rail-way Broadgauge Line হোৱা নাই আন ঠাইৰ পৰা অহা বস্তুবিলাকৰ দাম অত্যন্ত বেছি। ভাৰতবৰ্ষৰ আন এখন ৰাজ্যৰ লগত যদি তুলনা কৰা হয় তেন্তে দেখা যাব যে এজন মানুহৰ এমাহৰ খোৰাকি যিমান লাগে আমাৰ ইয়াত

*Speech not corrected

তাৰ দুগুণ পৰে। আনহাতে দেখা যায় আন ঠাইত বহুতো দূৰ ঠাইৰপৰা আহিও ৰেলৱেৰ এঠাইত চাকৰি কৰেহি। গতিকে ঘৰভাড়াৰ প্ৰয়োজন নাই। কিন্তু আমাৰ ইয়াত Broad gauge Line ৰ অভাৱেই গুৱাহটী, ডিব্ৰুগড়, নগাওঁ, শিৱসাগৰ আদিৰ মানুহে যদি আন এঠাইত কাম কৰিবলগীয়া হয় তেনেহলে ঘৰভাড়া কৰিব লাগে। যদি Broadgauge Line হয় তেন্তিয়া বহুত দূৰৰ পৰাই নিজৰ ঘৰত থাকিও আন ঠাইত কাম কৰিব পাৰিব। আমাৰ অসমৰ পৰাই তিনিজনকৈ কেন্দ্ৰীয় মন্ত্ৰী হৈছে। কেবিনেট পৰ্য্যায়ৰ আৰু এজন ডেপুটী পৰ্য্যায়ৰ। গতিকে তেওঁলোকেও আৰু অধিক জোৰ দিব পাৰিব। গতিকে মই মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ কৰিলো যেন তেওঁ কেন্দ্ৰীয় চৰকাৰক এইটো অনতি পলমে কৰিবলৈ জোৰ দি ধৰে। এইখিনিকে কৈ মই মাননীয় সদস্য শ্ৰীচৌধুৰী-ডাঙৰীয়াৰ প্ৰস্তাৱটো সমৰ্থন কৰি ৰহিলো।

**A. N. Akram Hussain** — চেয়াৰমেন মহোদয়, অনুন্নত অঞ্চলসমূহক উন্নত বা সমপৰ্য্যায়লৈ অনাটোৱেই হৈছে গান্ধী দৰ্শনৰ মূল কথা। কিন্তু বৰ্ত্তমান সময়ত এই গান্ধীদৰ্শনক Contradict কৰা হৈছে। আজি যিটো প্ৰস্তাৱ আহিছে তাৰ ওপৰত মই এটি সংশোধনী আগবঢ়াব খুজিছো। এটা বিৰাট অঞ্চল বুটিছৰ দিনৰে পৰা অৱহেলিত হৈ আহিছে অথচ এই অঞ্চলতে খনিজ পদাৰ্থ বনজ সম্পদ ভৰপুৰ। উদ্যোগীকৰণৰ ক্ষেত্ৰত বা অৰ্থনৈতিক উন্নয়ণৰ বাবে এই অঞ্চলত কোনো ব্যৱস্থা কৰা হোৱা নাই। গতিকে মই সংশোধনী আগবঢ়াব খুজিছো যে নলবাৰীৰ পৰিৱৰ্ত্তে ব্ৰহ্মপুত্ৰৰ ওপৰত যোগীঘোপাৰ ওচৰত দলং দি বঙাইগাওঁৰ পৰা ৰেল লাইন সেই ফালেদি গুৱাহাটী পৰ্য্যন্ত ব্ৰডগজ লাইন সম্প্ৰসাৰণ হব লাগে। ইফালে লাগিলে তিনিচুকিয়া বা নেফাৰ ভিতৰলৈ লাইন সম্প্ৰসাৰণ কৰক তাত মোৰ আপত্তি নাই। আমি এইটোও জানো যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই অঞ্চলৰ কথা আমাতকৈও বেছি জানে গতিকে ইফালৰ বাইজৰ অন্তৰৰ কান্দোন তেখেতে হৃদয়ঙ্গম কৰিব পাৰিব। এই অঞ্চলৰ অব্যহৃত কেঁচামালবোৰ দেখিলে মুখ্যমন্ত্ৰীৰো প্ৰাণে কান্দি উঠিব। গতিকে গান্ধীবাদত বিশ্বাস ৰাখি এই কথাটো তেখেতে বিবেচনা কৰিব। কেন্দ্ৰীয় চৰকাৰক প্ৰতিয়ণ নিবলৈ চেষ্টা কৰিব। এইটো সকলোৱে জানে যে গোৱালপাৰাৰ পৰা কামৰূপৰ দক্ষীণপাৰ অঞ্চলটোৱে চৰকাৰৰ পৰা ভঙা-ফুটা পৰিবহণৰ গাড়ী-কেইখনৰ বাহিৰে একো পোৱা নাই। কাৰণ গুৱাহাটীৰ পৰা ধুপধৰালৈ যাবলৈ ৪ ঘণ্টাৰ ঠাইত ৮ ঘণ্টা লাগে। আনহাতে সকলো ভগনীয়া আহি গোৱালপাৰাত থুপ খাইছে। গতিকে চৌধুৰী ডাঙৰীয়াৰ প্ৰস্তাৱটোৰ ওপৰত মোৰ সংশোধনী হল বঙাইগাওঁৰ পৰা নলবাৰীৰ পৰিৱৰ্ত্তে যোগীঘোপাইদি ৰেল সম্প্ৰসাৰণ হব লাগে।

শ্ৰীকবিৰ চন্দ্ৰ ৰায়প্ৰধানী : অধ্যক্ষ মহোদয়, ব্ৰডগজ লাইন সম্প্ৰসাৰণ কৰাৰ ক্ষেত্ৰত মই সংশোধন আগবঢ়াওঁ যে যিটো existing লাইন ৰঙিয়া নলবাৰীয়েদি আছে সিফালেদি নহৈ ব্ৰহ্মপুত্ৰৰ ওপৰত দলং দি যোগীঘোপাইদি গুৱাহাটী পৰ্য্যন্ত লাইন সম্প্ৰসাৰণ কৰিব লাগে। কাৰণ অসমৰ নিচিনা এখন ৰাজ্যত যোগাযোগৰ

ব্যৱস্থাটো ১নং ব্যৱস্থা লব লাগে। ভাৰত চৰকাৰলৈ যিখন স্মাৰক-পত্ৰ দিয়া হৈছিল তাত যোগাযোগৰ প্ৰথম স্থান দিব লাগিছিল। কাৰণ যোগাযোগ মানেই সভ্যতা। যোগাযোগ নহলে দেশৰ কি অৰ্থনীতি কি উদ্যোগীকৰণ একোতে উন্নতি হব নোৱাৰে। গতিকে অসমত এই যোগাযোগ ব্যৱস্থা উন্নতি নোহোৱাৰ ফলত আমি বেপাৰ-বাণিজ্যত বহুত পিচপৰি আছো। ফলত আজি অসমৰ ইমূৰত এটা বস্তুৰ দাম যিমান সিমূৰত তাৰ দাম বহুত বেছি। কিছুমান এনে বস্তু আছে যাৰ দাম কলিকতাত ২ টকা আমাৰ ইয়াত ৬·০০ টকা। ইয়াৰ কাৰণ যাতায়তৰ বিশেষ ব্যৱস্থা। গতিকে মই সংশোধনী আগবঢ়াওঁ যে নলবাৰীৰ পৰিৱৰ্ত্তে ব্ৰডগজ লাইন বঙ্গাইগাওঁৰ পৰা যোগীঘোপাইদি অন্ততঃ গুৱাহাটীলৈ সম্প্ৰসাৰণ কৰিব লাগে আৰু যোগীঘোপাত এখন দলং দিব লাগে। ইফালে শিলঘাটত এখন দলং হব লাগে। শিলঘাটৰ কথা অৱশ্যে জোৰ দি নকওঁ তাত ৰাজধানী হলে automatic দলং হব।

গতিকে এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Mr. Speaker: Further proceedings of the House will be in secret. Therefore, all the gallaries and lobbies will be cleared.

As all other doors will be closed and locked the hon'ble Members are requested to come by the entrances to the lobbies from outside where the doors will be kept open for the hon'ble Members to enter the Chamber when it reassembles at 5 P.M.

The House stands adjourned for light refreshment given by the Chief Minister. The House will reassemble at 5 P.M. The hon'ble Members, the members of the Press, the Reporters and officers in the official gallery will kindly go to Room No. 14 for refreshment.

## Adjournment

The Assembly then adjourned till 10 A.M. on Wednesday, the 5th May 1971

U. Tahbildar,
Secretary,
Legislative Assembly, Assam

Shillong, 7
The — 4th May, 1971